চান্দমামা

অকট'বাৰ ১৯৯৪





ষ্টাম্প গ'ল পৰি কৈ গ'ল কি? খেলৰ আচল শক্তি দিয়ে যি।

পাৰ্লে-জি

সোৱাদ ভৰা, শক্তি ভৰা।

ভাৰতৰ সৰ্বাধিক বিক্ৰী হোৱা বিস্কুট।

everest/93/PP/173-as

"मेरि"
दुनिया भर की नारियों को, 31 से अधिक सालों से मनमोहक, खूबसूरत और मज़बूत स्वर्णपट्टित ज़ेवरों से सँवार रहे हैं।

मेरि अब पेश करते हैं चकाचौंध करने वाले रंगबिरंगे और उत्तम डिज़ाइन के ज़ेवर, जो शुद्ध चाँदी पर सोने का पानी चढ़ा कर और अमरीकी हीरो (A.D) से जड़ा कर बनाये गये हैं।

ज़ेवर वी.पी.पी. द्वारा मँगाये जा सकते हैं। हमें ज़ेवर की संख्या का उल्लेख देते हुये लिखिये। मंदिर की मूर्तियो और भरत नाट्यम के लिए ज़ेवर बनाना हमारी विशेषता है। मुफ्त रंगीन सूचापत्र के लिये लिखिये। कृपया पत्रव्यवहार हिन्दी या अंगरेज़ी में ही करिये।

MERI GOLD COVERING WORKS
P.O. Box 1405, 18, Ranganathan Street, T. Nagar,
Madras 600 017, Phone: 444671, 442513

চান্দমামা

*

অকট'বাৰ ১৯৯৪

এই * আছে

সংখ্যাত

*

আজৰ আঁচনি	:	৭
এই ভ্ৰাতৃ-যুদ্ধৰ পৰিণাম	:	৯
ভূতে দিলে বিয়া	:	১১
বিচিত্ৰ কণ্ঠহাৰ	:	১৭
প্ৰকৃত মুল্যায়ন	:	২৫
চান্দমামা-ক্ৰোড়পত্ৰ	:	৩৩
ভোক-চোৰ	:	৩৭
চান্-মোমাই	:	৪১
মহাভাৰত	:	৪৫
সম্পদো আপদ	:	৫৩
সমবাদৰ চমক	:	৫৮
বাস্তৱ জ্ঞান	:	৫৯
প্ৰকৃতিৰ বৈচিত্ৰ্য	:	৬৩
ফটো-প্ৰতিযোগিতা-পুৰস্কাৰ		৬৫

*

চান্দমামা : খনে : ৪'০০ টকা মাথোন

বছৰেকীয়া বৰঙনি : ৪৮'০০ টকা মাথোন

A Letter from the Publisher

Estd. 1947

CHANDAMAMA PUBLICATIONS

To our Readers and well-wishers

Dear Friend,

It has always been our endeavour to keep the price of CHANDAMAMA within the easy reach of our readers. For that we have weathered many a storm.

Only when it becomes practically impossible for us to hold our ground, we carry our problem to our readers and well-wishers who are our patrons. They never fail us.

During the last few years, several items connected with the production of the magazine have continued to grow costlier. We have withstood the strain. But a sudden stiff rise in the cost of the newsprint has at last obliged us to revise our price. Hence your magazine will cost Rs. 5.00 a copy (Rs. 60.00 for an annual subscription) from November '94. We are sure, you will bear with us. We promise that if the paper price comes down, we will add even more colourful variety to the magazine.

Thanking you and with warm regards,

B. VISWANATHA REDDY
PUBLISHER

পোলিঅ'প্লাচ্ছ

শিশুইঁতলৈ
ব্যাধিবিহীন মুক্তজীৱনৰ
সুস্পষ্ট আশ্বাস

কেতিয়া কিমান ছিটা দিব লাগিব

ছিটা কেতিয়াৰপৰা আৰম্ভ কৰিব	ছিটাৰ নাম	ৰোগৰ নাম	কিমান বাৰ দিব লাগিব
জন্মৰ লগে লগে	**বি ছি জি**	**যক্ষ্মা**	এবাৰ মাথোন
৬ সপ্তাহ	**পোলিঅ'**	**পোলিঅ'**	তিনি বাৰ (কমেও এমাহৰ বাদে বাদে)
৬ সপ্তাহ	**ডি পি টি**	**ডিপথেৰিয়া পাৰ্টুছিছ** (আজোৰা কাহ) **টেট্যানাছ** (ধনুষ্টংকাৰ)	তিনি বাৰ (কমেও এমাহৰ বাদে বাদে)
৯ মাহ	**মিজল জ**	সৰু আই	এবাৰ মাথোন

জন্মৰ বাৰ মাহৰ ভিতৰতে শিশুক সকলো ধৰণৰ ছিটা সম্পূৰ্ণ-কৈ দিব লাগিব।

গৰ্ভৱতীসকলে গৰ্ভধাৰণৰ শেষৰ ফালে দুবাৰ টেট্যানাছ (টি টি) ছিটা লোৱা আৱশ্যক। প্ৰথমবাৰ ছিটা লোৱাৰ এমাহৰ অন্তত দ্বিতীয়বাৰ ল'ব।

সুস্থ শিশু—জাতিৰ আশা আৰু গৌৰৱ

চান্দমামা

সংস্থাপক : চ ক্র পা ণি　　সঞ্চালক : বি নাগিৰেড্ডি

আজৰ আঁচনি

শুনাত—অসম্ভৱ যেনেই, তথাপি সঁচাৰো সঁচা যে—স্কুলত নাম লগাওঁতে আৰু 'অ্যাডমিছন টেস্ট' দিব নালাগে বুলি স্থিৰ কৰা 'হ'ব ধৰিছে'! আনকি—আঢ়ৈমোণীয়া চাউলৰ মোনাৰ দৰে মোনা ভৰাই মোণে মোণে কিতাপ-পত্ৰ স্কুললৈ কঢ়িয়াই লৈ যোৱাৰো হেনো আধ্য পৰিব! স্কুলৰপৰা 'হোম্ টাস্ক'ও দিয়া ন'হব, পঢ়ুৱৈবিলাকে যি পঢ়িব যি লিখিব—পঢ়াশালিতেহে! যদিও 'বিশ্বাসম্ নৈব কৰ্তব্যম্······ৰাজকুলেষুচ'—তথাপি হেনো এইবোৰ 'নোহোৱা কথা' হোৱাৰ পথলৈ বহুদূৰলৈ আগ হেনো বাঢ়িছেও।

ভাৰৰতৰে 'উত্তৰৰ' কোনোবা ঠাইত এখন পঢ়াশলীয়া প্ৰতিষ্ঠান প্ৰতিষ্ঠিত হৈছে—যিখন পঢ়াশালিত—যিমান আসন—মাত্ৰ সিমানেই ছাতৰ লোৱা হ'ব, এজনো অধিক লোৱা নহ'ব, ছাতৰইতক সিহঁতৰ ঘৰৰপৰা স্কুললৈ লৈ অহা হ'ব, যি-প্ৰতিষ্ঠানৰ কোনো হ'স্টেল নাথাকিব, পুৱাৰপৰা আবেলিলৈকো পঢ়ুৱৈ-শিক্ষক বিত্মালয়তে থাকিব, খাব, লাগিলে ভাত-ঘুমটিও মাৰিব, আৰু ছাতৰইতৰ পঢ়াশলীয়া 'হোম্ ওৱৰ্ক' হোম্ অলৈ লৈ যাব নালাগিব, হোম্ ওৱৰ্ক হ'ব—বিত্মালয়তে, আৰু ঘৰৰ অভিভাৱকে ছাত্ৰইতক ঘৰত একেবাৰে পঢ়াব নালাগে বুলি অনুৰোধ কৰা হ'ব। আৰু আছে। পঢ়াশলি ছুটি হোৱাৰ পাছত যেতিয়া পঢ়ুৱৈইত ঘৰলৈ উভতিব, তেতিয়া সিহঁতৰ কিতাপ-পত্ৰ পঢ়াশলিতে থাকিব, মোণে মোণে কিতাপ ঘৰলৈ লৈ যাব নালাগিব! এনেহেন শিক্ষা-আঁচনিকো চেৰ পেলাবপৰা আঁচনি কোনোবাই দাখিল কৰিব প্যাৰিবনে?

যদি পাৰে—শিক্ষা-কৰ্তৃপক্ষলৈ তুৰন্তে জনাওক

বছৰ : ১৯　　অকট'বাৰ ১৯৯৪　　সংখ্যা : ৭

খনে ৪·০০ টকা :: বছৰেকীয়া বৰঙনি ৪৮·০০ টকা.

চান্দমামা

মাহৰ পাছত মাহ ধৰি বিভিন্ন ৰুচিৰ গল্প-কাহিনীৰ যোগেদি প্ৰচাৰ কৰিছে

ভাৰতৰ অতীত আৰু বৰ্তমান গৌৰৱ

৬৪ পৃষ্ঠাতকৈয়ো অধিক পৃষ্ঠাজোৰা বাৰেবৰণীয়া চিত্ৰ-সমৃদ্ধ

এই চান্দমামা পৌৰাণিক, কিংবদন্তিমূলক, ঐতিহাসিক ঘটনাৱলী,

মহান জীৱন কাহিনী, উচ্চ গুণ-মানৰ গল্প-কথাৰে ভৰপূৰ

১১টি ভাষাত আৰু লগতে সংস্কৃত ভাষাতো প্ৰকাশিত

ডল্টন এজেন্সিজ ১৮৮ এন. এছ. কে. ৰ'ড. মাদ্ৰাজ ৬০০ ০২৬

পৃথিৱীৰ খিৰিকীৰে

এই ভ্ৰাতৃ-যুদ্ধৰ পৰিণাম ?



'ভ্ৰাতৃযুদ্ধ'! এই শিৰোনামেৰে য়েমিন বা ইয়েমেনৰ বাতৰি-কাকতবোৰত যুদ্ধৰ বাতৰি প্ৰায়েই ওলায়। আলজিৰিয়াৰ আগৰ বিদেশমন্ত্ৰী লখদাৰ ইব্ৰাহিম ৰাষ্ট্ৰসংঘৰ বিশিষ্ট দূত হিচাপে য়েমিনলৈ গৈছিল আৰু এই অবাঞ্ছিত ভ্ৰাতৃযুদ্ধ তৎক্ষণাৎ বন্ধ কৰিবলৈ আবেদন জনাইছিল উত্তৰ আৰু দক্ষিণ য়েমিনলৈ।

চাৰি বছৰৰ আগতে উত্তৰ আৰু দক্ষিণ য়েমিন একত্ৰিত হৈছিল; কিন্তু দুয়ো পক্ষৰ মাজত বাৰেওপতি খুঁজ-বাগৰে মূৰ দাঙি উঠাত দক্ষিণ য়েমিনে পুনৰ স্বতন্ত্ৰতা ঘোষণা কৰিছিল। ফলত পুনৰ যুদ্ধ লাগি পৰিল, যি-যুদ্ধ এশ-দিনলৈ চলিল আৰু অসংখ্য সৈন্য তথা সাধাৰণ মানুহৰ অকালমৃত্যু হ'ল।

সন্মিলিত য়েমিনৰ ৰাষ্ট্ৰপতি আছিল উত্তৰ য়েমিনৰ 'পিপল্‌ছ জেনেৰ্‌্যাল কংগ্ৰেছ'ৰ নেতা জনাব আলী ছালেহ্ আৰু উপ-ৰাষ্ট্ৰপতি আছিল দক্ষিণ য়েমিনৰ 'য়েমিন ছ'ছ্যালিস্ট পাৰ্টি'ৰ নেতা ছলিম অলবিদ। উত্তৰ য়েমিন তেতিয়া ইছলাম ধৰ্মৰ অধিপতিৰ অধীনস্থ আছিল। তেতিয়া দক্ষিণ য়েমিনে ছোভিয়েত ৰুশ্বৰপৰা বিভিন্ন সহায়তা লাভ কৰিছিল—যাৰ প্ৰভাৱত দক্ষিণ য়েমিন হৈ উঠিছিল সমাজবাদী দেশ। কিন্তু এই পৰস্পৰ বিপৰীতধৰ্মী ৰাজনৈতিক ঐক্য যেতিয়া হৈছিল—তেতিয়া বহুতেই এনে বিপৰীতধৰ্মী তথাকথিত ঐক্যৰ স্থায়িত্বৰ বিষয়ে সন্দেহ প্ৰকাশ কৰিছিল।

১৯৯৩ চনত প্ৰথম সাধাৰণ নিৰ্বাচন অনুষ্ঠিত হ'ল। লোকসভাৰ সদস্য সংখ্যা আছিল ৩০১ জন। 'পিপ'লছ জেনেৰ্‌্যাল কংগ্ৰেছ' পালে ১২১খন আসন আৰু 'য়েমিন ছ'ছ্যালিস্ট পাৰ্টি'য়ে পালে ৫৬খন।

'য়েমিন গ্যাদাৰিং ফৰ্ ৰিফৰম' পাৰ্টিয়ে 'ছ'ছ্যালিস্ট পাৰ্টি'তকৈ অধিক আসন লাভ কৰিছিল ; কিন্তু 'পিপ'লছ জেনেৰ্যাল পাৰ্টি'ৰ সৈতে লগ লাগি আলী ছালেহ্ ৰাষ্ট্ৰপতি হ'ল আৰু চৰকাৰ গঠন কৰিলে।

কিন্তু এই চৰকাৰ নিটিকিল, এই ঐক্যও স্থায়ী নহ'ল। ৰাষ্ট্ৰপতি জনাব আলী ছালেহ্ মহোদয়ে তেলৰ পুংবোৰত তেওঁলোকৰ আছুতীয়া নিয়ন্ত্ৰণৰ দাবী জনালে আৰু লগে লগে যুদ্ধও লাগি পৰিল।

এই বছৰৰ মে' মাহৰ ৫ তাৰিখৰ দিনা উত্তৰ য়েমিনে দক্ষিণ য়েমিনৰ যুঁজাৰু-বিমান ভূপাতিত কৰিলে। তেতিয়া ৰাষ্ট্ৰপতি ছালেহ্ মহোদয়ে দেশত 'জৰুৰী অৱস্থা' জাৰী কৰিলে আৰু উপৰাষ্ট্ৰপতি জনাব আলী ছলিম আলবিদক ৰদচ্যুত কৰাৰ লগে লগে স্বৰাষ্ট্ৰ আৰু তেল-মন্ত্ৰীকো বৰ্খাস্ত কৰিলে।

উত্তৰ য়েমিনৰ সৈন্যবল আছিল দক্ষিণ য়েমিনৰ তুলনাত অনেক অধিক। উত্তৰ য়েমিনে দক্ষিণ য়েমিন-সৈন্যৰ ওপৰত আক্ৰমণ চলোৱাত দক্ষিণ য়েমিনে উত্তৰ য়েমিনৰ ওপৰত 'স্কাড' ক্ষেপণাস্ত্ৰেৰে আক্ৰমণ চলালে। আকৌ উত্তৰ-দক্ষিণ স্বতন্ত্ৰ হৈ গ'ল। উত্তৰ য়েমিনে ঘোষণা কৰিলে যে ছালেহ্ চৰকাৰক মানি ল'লে তেওঁলোকে যুদ্ধ বন্ধ কৰিব। এই ঘোষণাৰ উত্তৰত দক্ষিণ য়েমিনে পুনৰ 'সন্মিলিত য়েমিন' পুনঃস্থাপনৰ চৰ্ত আৰোপ কৰাত জনাব ছালেহে 'দহ ভকতৰ দোষে ছুলে' বুলি তিৰস্কাৰ কৰিলে।

তিনি মাহ জোৰা যুদ্ধ চলি থাকিল। এই তিনি মাহতে ছয় বাৰ উভয় পক্ষই যুদ্ধ-বিৰতিৰ প্ৰস্তাৱ দিছিল। কিন্তু প্ৰস্তাৱৰ স্বীকৃতিৰ কেইঘণ্টামানতেই আকৌ যুদ্ধাস্ত্ৰবোৰে গৰ্জি উঠি বিৰতিলৈ প্ৰতিবাদ জনাইছিল—চৰ্ত ভংগৰ অজুহাতত।

দক্ষিণ য়েমিন পৰাজিত হোৱাৰ পাছত সেই দেশৰ নেতা আলী ছলিম অলবিদ প্ৰতিবেশী দেশ 'ওমান'লৈ পলাই গ'ল। কিন্তু তাতেই তেওঁৰ সক্ৰিয়তাৰ অন্ত পৰিব বুলি ভাবিলে ভুলহে কৰা হ'ব।

ইফালে—উত্তৰ য়েমিনে যুদ্ধৰ সমাপ্তি ঘোষণা কৰিলে আৰু গণতান্ত্ৰিক ব্যৱস্থাৰ প্ৰতিষ্ঠা কৰিব বুলি ঘোষণা কৰিলে। সেই দেশত অতি সোনকালেই হেনো সাধাৰণ নিৰ্বাচন অনুষ্ঠিত হ'ব।

য়েমিন - বুৰঞ্জী

য়েমিন দেশ সুগন্ধি-দ্ৰব্য উৎপাদনত জগতৰ অন্যতম অদ্বিতীয় দেশ। য়েমিন ষোড়শ শতিকাত অটমান-তুৰ্ক্-সাম্ৰাজ্যৰ অধীনস্থ আছিল। ১২৩৯ চনত বৃটিছ-ইস্ট ইণ্ডিয়া কম্প্যানিয়ে ছুলতানৰপৰা য়েমিন হস্তগত কৰিছিল। এডেন আছিল কেন্দ্ৰস্থল, সেইহে বৃটিছ নৌশক্তি তাত আছিল প্ৰবল। প্ৰথম বিশ্বযুদ্ধত তুৰস্ক পৰাজিত হোৱাত অন্যান্য দেশৰ দৰে য়েমিনেও 'আৰব ৰিপাবলিক অভ্ য়েমিন' নামত স্বতন্ত্ৰতা ঘোষণা কৰিছিল। এই স্বাতন্ত্ৰ্য ঘোষণাৰ এবছৰৰ অন্তত এডেন আৰু আন কিছুমান অঞ্চলেও বৃটিছক তাৰপৰা গুচি যাবলৈ অনুৰোধ জনোৱাত ১৯৬৭ চনত বৃটিছ তাৰপৰা গুচি গ'ল। বৃটিছ ৰাজশক্তি গুচি যোৱাৰ পাছত 'পিপ'লছ ফেডাৰেশ্যান অভ্ ছাদাৰ্ন য়েমিন' স্থাপিত হ'ল। ১৯৭০ চনত মাৰ্ক্সিস্ট দলে এই নাম সলালে, অৰু পাছত নামকৰণ কৰিলে—'পিপ'লছ ডেম'ক্ৰ্যাটিক ৰিপাবলিক অভ্ য়েমিন'। এই ঘটনাৰ পৰৱৰ্তী বছৰৰপৰাই উত্তৰ আৰু দক্ষিণ য়েমিনৰ মাজত ৰক্তক্ষয়ী ভ্ৰাতৃযুদ্ধৰ অৱতাৰণা হ'ল—যি-যুদ্ধাৱস্থা অল্পাধিক এবছৰলৈ চলি আছিল। ১৯৭৯ চনত যুদ্ধ-বিৰতি তথা সন্ধিচুক্তি স্থাপিত হৈছিল।



ভূতে দিলে বিয়া

কনকপুৰৰ কমলনয়ন আছিল জমিদাৰী কাছাৰীৰ কৰ্মচাৰী। চহৰত তাৰ কৰ্মস্থল। চহৰ—হয়, কিন্তু তালৈ যাব লাগে হাবিৰ কাষেদি। গধূলি — ঘৰলৈ ওভতোঁতে হাবিৰ কাষেদি আহোঁতে ইমান যে ভয় কমলৰ! কিন্তু কৰিবলগীয়া একো নাই। আৰ্জিবলৈ হ'লে কিছু ভুঞ্জিবও লাগে।

নাম তাৰ কমলনয়ন, কিন্তু হ'ল কি হ'ল—অলপ কেঁৰা। কেঁৰা, কিন্তু হ'ল কি হ'ল গান গায় ভাল। গাওঁতে চকু মুদে, দুনিয়াত সি তেতিয়া আৰু একো নেদেখা হয়। এইদৰেই, এদিন সি চকু মুদি গান গাই থাকোঁতেই চকুৰে বাট নেদেখাটো হ'ল। তাৰ বাপেক নাছিলেই, মাকো ঢুকাল, সি অকলশৰীয়াটো হৈ পৰিল।

এতিয়া সি নিজে ৰান্ধে নিজে বাঢ়ে নিজে নিজে খায়—আৰু সদায় কৰে হায় হায়! কিছু দিনৰ পাছত এদিন তাৰ বন্ধু এজনে তাক ক'লে, "বোলোঁ—ঐ, কিমান দিননো দি থাকিবি এনেকৈ বাৰ জোৰা, যেংকে পাৰ তেংকে কোনোবা এজনীক বিয়া কৰা।"

বিয়াৰ কথাও উঠিল, আৰু তাৰ পাৰ্বতীলৈ মনত পৰিল। পাৰ্বতীৰ দেউতাক আছিল এজন সৰু-সুৰা বেপাৰী। তেওঁৰ একমাত্ৰ সন্তান এই পাৰ্বতী। পাৰ্বতী দেখাত ধুনীয়াৰো ধুনীয়া। আৰু তাই বৰ ভক্তিমতী। নিতৌ পূজা আগ কৰে মন্দিৰলৈ গৈ। কমলনয়নহঁতৰ ঘৰৰ দুৱাৰমুখতে ফুলনি। সেই ফুলনিৰপৰা সদায় পাৰ্বতীয়ে পূজাৰ কাৰণে ফুল বোটলে। কমলনয়নে সদায় তাইক

নবকণ্ঠ গগৈ



দেখে, কিন্তু মাত-বোল নকৰে।

কিন্তু বন্ধুজনে বিয়াৰ কথা সোঁৰৱাই দিয়াত কমলনয়নে খপ্‌কৈ কৈয়েই পেলালে তাইক, "শুনা পাৰ্বতী, তোমাক মই ইমান যে ভাল পাওঁ—! মোৰ মন —কি বোলেনে—তোমাক কৰাওঁ বিয়া। যদি কিবা ক'বা —কোৱা।"

কমলনয়নৰ কথা শুনি পাৰ্বতীৰ মুখৰ মাত হৰিল। তাৰ পাছত তাই কঠিন কণ্ঠেৰে ক'লে, "তুমি যে গান গাব পাৰা জানো মই। কিন্তু—তুমি তৰোৱাল হাতত লৈ যুঁজিব পাৰানে? তুমি সদায় মূৰ দোঁৱাই লোকৰ আগত নম্রতাৰ আৰ্হি দাঙি ধৰা যে—জানো মই, কিন্তু মূৰ দাঙি কেনেকৈ চলিব লাগে—জানানে? ঘৈণীয়েৰ এজনীক সুখৰ মুখ দেখুৱাবৰ জোখাৰে ধন তোমাৰ আছেনে? আৰু—নিজৰ কেঁৰা চকু-খঁৰা নাক দাপোণত কেতিয়াবা দেখিছানে? যি ক'লা—ক'লা, আগলৈ এনেবোৰ কথা ক'বৰ কেতিয়াবা দাঁত নহয় যেন, তেতিয়া দাঁত সৰিব চাবা।"

কমলনয়নে কিবা ক'ব খুজিছিল; কিন্তু পাৰ্বতীয়ে কথাখিনি কৈ—ফুলখিনি দলিয়াই দি—হুপহুপাই গুচি গ'ল।

কমলনয়নে ভাবিলে : ছোৱালী এজনীৰপৰা এনে অপমান পায়ো জীৱন-যাপন — অসম্ভৱ! গতিকে—মৰণতে শৰণ লোৱাহে কথা। —এই বুলি ভাবি সি সেই মুহূৰ্ততে ওলাই পৰিল।

গৈ গৈ গৈ গৈ—গধূলি হোৱাৰ পাছত সি এডৰা অটব্য হাবি পালেগৈ। ক্ষন্তেক-মান থমকি ৰ'ল সি, তাৰ পাছত ভাবিলে : মৰিমেই যেতিয়া, হাবিলৈনো কি ভয়?

সি হাবিৰ ভিতৰলৈ সোমাল আৰু এজোপা গছৰ তলত বহিল। আৰু ৰহি বহি ইকথা-সিকথা ভবাৰ পাছত সি অতি কৰুণ সুৰেৰে গান এটা গাই থাকিল।

কমলনয়নৰ গান যেতিয়া শেষ হ'ল, কোনোবা এজনে কৈ উঠিল, "ইম্‌মান যে

সুৰলা গীত! কিমান যে মধুৰ!" এই বুলি কৈ কৈ একো হৈ চৈ নকৰাকৈ তালৈ লাহে-ধীৰে আহিল—তিনিটা ভূত।

বোলে—এটা ভূত দেখিলেই কিমানৰ কিমান কি যে হৈ যায়—তাতে তিনিটা ভূত! কিন্তু কমলনয়নৰ একো নহ'ল। সি ভাবিলে: ওলাইছোঁ মৰিব, ভূতেনো কি কৰিব?

এটা ভূতে কমলক ক'লে, "ইমান করুণ-কোমল বিষাদৰ গীত নালাগে, এটা ৰং-ধেমালিৰ গীত গোৱাচোন শুনো?"

"মোৰ জীৱন বিষাদেৰেই ভৰি পৰিছে, আনন্দৰ লেশমানো নাই, মৰিবলৈ ওলাইছোঁ গাভৰু এজনীৰপৰা দাৰুণ অপমান পাই।" কমলে ভূতটোক ক'লে।

"অপমান? অপমাননো কি? খায়নে পিন্ধে?" ভূতটোৱে ৰঙতে কমলক ক'লে।

কিন্তু কমলনয়নৰ মনত তো ৰং নাই, তাৰ মনত আছে খং। গতিকে সি খঙতে ভূতহঁতক সকলো কথা কৈ পেলালে।

কমলৰ বিষাদৰ তথা অপমানৰ কথা শুনি ভূতকেইটাই পৰস্পৰৰ মাজত কিবাকিবি আলোচনা-বিলোচনা কৰিলে আৰু পাছত কমলক ক'লে, "তোমাৰ বিয়া—আমি যেনেতেনে পাতি দিম। এতিয়া মৰিব নালাগে। অহা পূৰ্ণিমাৰ নিশা তুমি আকৌ ইয়ালৈ আহিবা।"

যদিও ভূতৰ কথাত বৰ বিশ্বাস নহ'ল,



তথাপি কমলনয়নে ভূতে কেনেকৈ বিয়া পাতে—সেই কথা চাবলৈ সাজু হ'ল।

*

আজিও ভক্তিমতী পাৰ্বতী মন্দিৰলৈ গৈছিল, পূজা আগ কৰিছিল, আৰু এতিয়া পুনৰ ঘৰলৈ উভতি যাব ধৰিছিল। হঠাৎ ক'ৰবাৰপৰা বাঘ এটা ওলাল শহা এটাক খেদি। কিন্তু শহাটোক ধৰিব নোৱাৰি বাঘটোৱে পাৰ্বতীৰ ওপৰত জঁপিয়াবই পৰিবলৈ ধৰোঁতেই—কমল-নয়নে তৰোৱালেৰে বাঘটোক একেঘাপে দুছোৱা কৰি পেলালে।

কমলনয়নো যে ইমান মহাবীৰ—পাৰ্বতীয়ে ভাবিবইপৰা নাছিল। কিন্তু এয়া দেখ দেখ ঘটনা। কাণেৰে দেখা নহয়, চকুৰেহে। পাৰ্বতীয়ে কমলনয়নৰ শলাগ ল'ব, কৃতজ্ঞতা প্ৰকাশ কৰিব। কিন্তু বাঘটোক দুছোৱা কৰিয়েই কমল-নয়ন কেনিবাদি নোহোৱা হৈ গ'ল।

তভক খোৱা পাৰ্বতী দুখ মনেৰে ঘৰলৈ বুলি পুনৰ খোজ ল'লে। আৰু লগে লগে বাঘৰূপী কমলৰূপী আৰু শহা-ৰূপী ভূত কেইটাই আগৰ ৰূপ ল'লে।

আৰু ভক্তিমতী পাৰ্বতী পাছদিনাও মন্দিৰলৈ গৈছিল। কিন্তু সিদিনা তাই বৰ তবধ মানিছিল ঘটনা এটা দেখি। এটা বিৰাট ঘৰৰপৰা বাছকনীয়া সাজ-পোছাক পিন্ধা কমলনয়ন ওলাই আহিছিল আৰু চাকৰ এটাক কিবাকিবি কৈ পুনৰ ঘৰটোৰ ভিতৰলৈ গৈছিলগৈ।

চাকৰটোক পাৰ্বতীয়ে সুধিলে, "হেৰা এই ঘৰ—কাৰ ?"

চাকৰটোৱে ক'লে, "এই ঘৰ—আমাৰ ছিৰি ছিৰি কমলনয়ন দৌতাৰ। আগৰ ঘৰটো আওপুৰণি হ'ল বুলি এইটো নতুনকৈ সাজিলে।"

"কিন্তু, কালিও দেখোন ইয়াত ঘৰটো নাছিল! মাত্ৰ এদিনতে ইমান ডাঙৰ ঘৰটো সাজি উলিয়ালেনে?" পাৰ্বতীয়ে ক'লে।

“আমাৰ ছিৰি ছিৰি কমলনয়ন দোতাৰ শকতিৰ কথা নেজনাইহে এনে পশ্ন কৰিব।” এই কথা কৈয়েই চাকৰটোও ঘৰৰ ভিতৰলৈ সোমাই গ'ল।

কিছুপৰলৈ ভেবা লাগি চাই থাকি অবাক মানি পাৰ্বতী গুচি গ'ল।

আৰু লগে লগে ভূতকেইটাই নিজৰ সফলতাৰে নিজেই নাচি থকা হ'ল।

পাছদিনা কিন্তু ভক্তিমতী পাৰ্বতী মন্দিৰলৈ নোযোৱা হ'ল। গধূলিৰ আগে আগে এপাক মাৰি আহিবলৈ তাই যেতিয়া ঘৰৰপৰা ওলাল, তেতিয়া কমলনয়নৰ ঘৰৰ চোতালত তিনিজনী ধুনীয়াৰো ধুনীয়া গাভৰুক দেখা পাই ভেবা লাগি ৰৈ দিলে।

তাৰ পাছত পাৰ্বতীয়ে সিহঁতক সুধিলে, “তোমালোক—কোননো?”

“আমি—আমিয়েই আৰু!” সিহঁতে হাঁহি হাঁহি ক'লে।

“ইয়ালৈ—কি কামত বা?” পাৰ্বতীয়ে পুনৰ সুধিলে।

“আমাৰ মাজৰ যিজনীক কমলনয়নে ভাল পাব—বিয়া কৰাব, আন দুজনী গুচি যাব।” সিহঁতে ৰঙতে ক'লে আৰু পাৰ্বতীক সুধিলে, “কমলনয়নৰ ঘৰ—এইটোৱেই নহয়নে বাৰু?”

“হয়। পিছে—এতিয়া তেওঁ এইটো ঘৰত নাথাকে, নতুন ঘৰ এটাত থাকে।—



কিন্তু তোমালোকে ইয়াত অবাবতে বৈ থাকিব নালাগে। কিয়নো— কমলনয়নে তোমালোকৰ কোনো এজনীক বিয়া নকৰায়। কিয়নো—তেওঁৰ বিয়া আন এজনীৰ সৈতে খাটাং হৈ গ'ল। গতিকে —তোমালোক এতিয়াই গুচা।"

"তিনিওজনীয়েই একেলগে কৈ উঠিল, কাৰ সৈতেনো তেওঁৰ বিয়া খাটাং হ'ল ?"

"মোৰে সৈতে।" পাৰ্বতীয়ে ক'লে, "মিছামিছি বৈ থাকি হৈ চৈ নকৰিবা। এতিয়া যোৱা।" এই বুলি কৈয়েই তাই ঘৰৰ ভিতৰলৈ গ'লগৈ।

ক'ব লাগিছেনে আৰু—সেই সুন্দৰী তিনিজনী কোন ? সেই ভূতকেটায়েই।

এইদৰে ইমান সহজতে যে কাম সিজিল তাতেই সিহঁতৰ ৰং চায় কোনে !

*

পূৰ্ণিমাৰ নিশা—কথামতেই ভূতকেইটা সেই গছ-তললৈ আহিল। কমলনয়নো তাতেই ভূতকেইটাৰ বাট চাই আছিল।

আহিল—ভূতকেটা, কিন্তু এটা কথাত সিহঁতৰ ধাতু উৰিল। কমলনয়নৰ লগত তাত পাৰ্বতীও আছিল !

পাৰ্বতীয়ে সিহঁতক নিশ্চয় হোৱাই-নোহোৱাই গালি পাৰি তেভূত কৰিব বুলি ভূতকেটাই ভাবি আছিল। কিন্তু পাৰ্বতীয়ে মিচিক-মাচককৈ হাঁহি হাঁহি ভূতকেটাক ক'লে, "তোমালোকেই মোৰ অহংকাৰ চূৰ্ণ কৰিলা। তোমালোকেই মোক বুজাই দিলা — কমলনয়ন শিল নহয়, ৰত্নহে। মানুহৰ সৌন্দৰ্য্য কেৱল মুখত বা দেহতে নহয়, আচল সৌন্দৰ্য্য চৰিত্ৰত। তোমালোকে ধন্যবাদ লোৱাঁ।"

"এতিয়া দুয়ো মিলি গীত এটা গাব লাগে—।" ভূতকেটাই কৈ উঠিল।

কমল আৰু পাৰ্বতীয়ে 'গীত গাই থাকিল আৰু ভূতকেইটাই সেই গীতৰ তালে-মানে চিতে-মনে নাচি থাকিল।



বিচিত্ৰ কণ্ঠহাৰ

৪

[আগৰ কথা : পিতাদেউ বিচিত্ৰবৰ্মাদেৱে এৰি থৈ যোৱা ৰহস্যময় পত্ৰখন ৰজা জয়বৰ্মাই পাঠ কৰিলে। পাঠ কৰিলে—কিন্তু তিনিবাৰমান পাঠ কৰিও পত্ৰত থকা ৰহস্য উদ্ধাৰ কৰিব নোৱাৰিলে। —তাৰ পাছত পাঁচ পৌৰি পাৰ হ'ল। বৰ্তমান কোশলৰাজ মহাৰাজ সুষেনে আন্তৰিকভাৱে কামনা কৰিলে—পুত্ৰ কীৰ্তিবৰ্মাই সেই পত্ৰ-ৰহস্য উদ্ধাৰ কৰক। কীৰ্তিবৰ্মা যথেষ্ট বুদ্ধিশালী, আৰু লগতে থাকিব জয়সেন-কন্যা কীৰ্তিসেনা। নিশ্চয় উদ্ধাৰ কৰিব পাৰিব পত্ৰ-ৰহস্য। কিন্তু—সিপিনে যে ভোজ, নগ আৰু চক্ৰদেশৰ তিনি সিয়ানে কোশলৰ ৰাজকোঁৱৰ কীৰ্তি[illegible] [illegible] কৰিবলৈ আঁচনি পাঙি থৈছে—মহাৰজ সুষেনৰ কোনো খবৰেই নাই। আৰু তাৰ পাছত………]

আৰু ইপিনে কীৰ্তিও ওলাল কীৰ্তিক হাতৰ মুঠিত ভৰাবলৈ। এবাৰ কেনেবাকৈ পাতলিত পেলাব পাৰিলেহে কাম সিজিব। পাতলিত পেলাই পাতলি-তামোল দিম আৰু তিনিদিনলৈ—লাগিলে আৰু কেইবাদিনোলৈকে ৰাখি—মোৰ কথা যে পানীৰ ঔটেঙা নহয়—মহাৰাজ সুষেনৰ আগত প্ৰমাণ কৰিম। —ভাবি আছিল জয়সেন-পুত্ৰী কীৰ্তি সেনাই।

কীৰ্তিবৰ্মাক ধৰিবলৈ কীৰ্তিসেনা ওলাইছিল, আৰু সিপিনে—কীৰ্তিবৰ্মাক ফন্দে-ফান্দে বধিবলৈ ওলাইছিল তিনি সিয়ানৰ শিচ—তিনি অনুচৰ—ভোজ, নগ আৰু চক্ৰৰাজ্যৰ গুপ্তচৰ।

কিন্তু—কীৰ্তিবৰ্মাই এইবোৰ কথাৰ ভু-ভা একোৰেই নোপোৱা গুৰুগৃহত

‘ৰহস্যৰ পম খেদি’

অধ্যয়নকাল সমাপ্ত হোৱাৰ অন্তত কৃষ্ণাষ্টমীৰ দিনা উষাকালতে গুৰুৰপৰা আৰু অন্যান্য সতীৰ্থসকলৰপৰা বিদায় লৈ —'ভানু' নামৰ বিশ্বস্ত ঘোঁৰাটোৰ পিঠিত উঠি ৰংমনে ৰাজধানীলৈ বুলি গৈ আছিল।

বেলি তেতিয়া মূৰৰ ওপৰত। খাওঁ খাওঁ মূৰ্তি ধৰিছে বেলিয়ে। আৰু ঠিক সেই সময়ত—কাঁড় যোৱাদি গৈ থকা বিশ্বস্ত ঘোঁৰাটোৱে অটব্য অৰণ্য এডবাৰ কাষত হঠাৎ ৰৈ দিলে।

কিয় 'ভানু'ৰে হঠাৎ ৰৈ দিলে?

চাৰিওফালে চাই চাই কীৰ্তিবৰ্মাই পৰিস্থিতিৰ ৰেখ কৰাত মন দিলে: কথানো কি—? ভানুৱে ক্ষন্তেকমানো কীৰ্তিবৰ্মা ভানুৰ পিঠিৰপৰা নামিল আৰু তৰোৱাল হাতত লৈ খোজ কাঢ়ি কাঢ়ি গৈ থাকিল, ভানুকো কাষে কাষে খোজ কঢ়াই লৈ গ'ল।

কিছুদূৰলৈ আগুৱাই যোৱাৰ পাছত হঠাৎ অতি পাতল লোৰ তাঁৰৰ বস্তু এটা বতাহত ভাহি আহিল আৰু আহি আহি যেতিয়া কীৰ্তিবৰ্মাৰ মূৰৰ ওপৰত পৰিবৰ উপক্ৰম হ'ল—তেতিয়া ভানুৱে প্ৰচণ্ড জোৰেৰে চিঞৰি দিলে আৰু কীৰ্তিবৰ্মায়ো বিজুলীগতিৰে তেওঁৰ মূৰটো আঁতৰাই ল'লে। ভানুৱে চিঞৰি সাৱধান নকৰা-হেঁতেন সেই লোৰ জালৰূপী ফান্দত কীৰ্তিবৰ্মা আটক হৈ পৰিলহেঁতেন।

কীৰ্তিবৰ্মা সেই লো-ৰ পাতল জালখনক তৰোৱালেৰে কাটি পেলাবলৈ এঘাপ মাৰিলে। কিন্তু তিমানতে আন এখন লো-ৰ জাল বাতাহত ভাহি ভাহি ভানুৰ মুগুটোক টানকৈ আগুৰি ধৰিলে।

ভানুক ফান্দৰপৰা মুক্ত কৰিবলৈ কীৰ্তিবৰ্মাই আগুৱাই যাবলৈ ধৰোঁতেই সেই অৰণ্যৰ কোনোবা এক চুকৰপৰা কোনোবাই বৰষুণৰ দৰে কঁড়িয়াই থাকিল আৰু চাওঁতে চাওঁতে তিনিটা সশস্ত্ৰ মানুহ বিকট আৰ্তনাদ কৰি তিনিজোপা

গছৰপৰা তললৈ বাগৰি পৰিল।

আৰু লগে লগে এজোপা বিৰাট গছৰ আঁৰৰপৰা যুৱক এজন ওলাই আহিল আৰু সেই যুৱকে ৰাজকোঁৱৰ কীৰ্তিসিংহক নমস্কাৰ কৰি থিয় হ'ল।

বিস্মিত কীৰ্তিবৰ্মাই যুৱকক সুধিলে, "কোন তুমি? আত্মপৰিচয় দিয়া। আৰু —সেই যে তিনিটা মানুহক কঁড়িয়াই মাৰিলা—সিহঁত কোন—তাকো কোৱা।"

"সিহঁত কোন — মই নাজানো। সিহঁতক পৰীক্ষা কৰি চালে কিজানি সিহঁতৰ পৰিচয় ওলাব।" যুৱকে ক'লে।

কীৰ্তিবৰ্মাই তৰোৱালেৰে লৌহজাল ছিন্ন কৰি ভালুক ফান্দমুক্ত কৰিলে আৰু তাৰ পাছত মৃত মানুহ তিনিটাক পৰীক্ষা কৰিবলৈ ধৰিলে।

মৃত তিনিটাৰ গাত থকা কাপোৰ-কানিৰপৰা আৰু প্ৰতীক-চিনৰপৰা সিহঁতৰ এই পৰিচয় পোৱা গ'ল যে সিহঁত তিনিটা তিনি ৰাজ্যৰপৰা অহা সৈন্য। সেই তিনিখন ৰাজ্য—ভোজ, নগ আৰু চক্ৰ—সেই কথাতো কীৰ্তিবৰ্মা নিঃসন্দেহ হ'ল।

কোশল আৰু ভোজ ৰাজ্যৰ মাজত যে পুৰুষপৰম্পৰাই শত্ৰুতা চলি আহিছে —কীৰ্তিবৰ্মাই নজনা নহয়। কিন্তু এতিয়া যে— কোশলৰ বিৰুদ্ধে— তথা তেওঁৰ বিৰুদ্ধে এই তিনিও এক হৈছে—সেই কথাটো দেখদেখকৈ ওলাই পৰিল।

কীৰ্তিবৰ্মাই এই যুৱকক সুধিলে, "এতিয়া কোৱাঁ, তুমি কোন?"

যুৱকে লাহেকৈ কিন্তু গম্ভীৰভাৱে ক'লে, "আপোনাৰ প্ৰশ্নৰ উত্তৰ দিয়াৰ আগতে মোৰ এটি প্ৰশ্নৰ উত্তৰ দিবনে?"

কীৰ্তিবৰ্মাই জিজ্ঞাসু দৃষ্টিৰে চালে।

যুৱকে সুধিলে, "আকাশৰ ৰজা আৰু ৰাণী—কোন?"

প্ৰশ্নটো শুনিয়েই কীৰ্তিবৰ্মাই যুৱকলৈ সুতীক্ষ্ণ দৃষ্টিৰে চালে আৰু মৃদুকৈ হাঁহিৰে ক'লে, "কী—ৰ্তি—সেনা!"

যুৱাবেশধাৰী কীৰ্তিসেনাই মূৰ দোঁৱাই ক'লে, "এই উত্তৰ কিন্তু মোৰ যথাযথ প্ৰশ্নৰ উত্তৰ নহ'ল!"

কীৰ্তিবৰ্মাই পুনৰ নিৰৱে হাঁহিলে। কীৰ্তিবৰ্মাৰ মনত পৰিল সিদিনাৰ সেই ঘটনাৰ কথা:

কীৰ্তিবৰ্মাই কাৰ্তিক পূৰ্ণিমাৰ নিশা তেওঁৰ মাতৃৰ সৈতে এঠাইলৈ গৈ থাকোঁতে অলেখ তৰাৰ মাজত আকাশত উজলি থকা জোনবাইক দেখা পাই কৈ উঠিছিল, "বা:! আকাশখন ইমমান যে ধুনীয়া! এই মাটিৰ ৰজা হোৱাতকৈ আকাশৰ ৰজা হ'ব পৰাহেঁতেন!"

তেতিয়া সিহঁতৰ লগত বালিকা কীৰ্তিসেনাও আছিল। সেই বালিকাই কীৰ্তিবৰ্মাক সুধিছিল, "কীৰিতি, তুমি আকাশৰ ৰজা হ'বানে কি?"

কীৰ্তিয়ে কৈছিল, "ওঁ, হয়তো—? আৰু—তোমাকে পাতিম আকাশ ৰাণী।"

কীৰ্তিবৰ্মাই কীৰ্তিসেনাক সুধিলে, "কীৰ্তি, তুমি এনেহেন ভেশ কিয় ল'লা?"

"মোক স্বয়ং মহাৰাজেই পঠালে।" এই বুলি কৈ যুৱকবেশী কীৰ্তিসেনাই সেই ৰহস্যময় পত্ৰখন কীৰ্তিবৰ্মাক দিলে।

"ইহঁত ধূৰ্তইহঁতে মোক হত্যা কৰিবলৈ জোপ লৈ থাকিব বুলি তুমি আগতীয়া কৈয়েই জানিছিলানে? নে— ইহঁতে তোমাকেই হত্যা কৰিব বুলি আহিছিল—

এই পত্ৰখন হস্তগত কৰাৰ বাবে?” কীৰ্তিবৰ্মাই কীৰ্তিসেনাক সুধিলে।

“মই এই পত্ৰখন লৈ অহাৰ কথা ইহঁতে নিশ্চয় নাজানিছিল। কিয়নো— মহাৰাজে আগতে এই পত্ৰৰ বিষয়ে কাকো একো কোৱা নাছিল।” কীৰ্তিসেনাই কথাখিনি কৈ থাকোঁতেই কীৰ্তিবৰ্মাই পত্ৰখন পঢ়িছিল।

“শুনা, এই পত্ৰৰ অতি ৰহস্যময় কথাখিনিত—হওঁতে—বৰ ৰহস্য নাই যেন লাগে। পৰমেশ্বৰৰ নিবাসস্থল হ'ল— উত্তৰ-দিশত। মানুহৰ জীৱনৰ আধাৰ হ'ল—আহাৰ। আৰু এই আহাৰ্য্য পোৱা যায়—পঞ্চভূতৰ মাজৰ এক ভূমিৰপৰা। বামনক কেৱল—দুই হাত ভূমিহে লাগে।” —কীৰ্তিবৰ্মাই ৰহস্যৰ সমাধান যেনিবা কৰিয়েই পেলালে।

“এইখিনিলৈকে ঠিকেই আছে। কিন্তু —সেই বিচিত্ৰ কণ্ঠহাৰ ক'ত আছে— এইখিনিৰপৰা আমি ভেদ উলিয়াব পাৰিমনে?” কীৰ্তিসেনাই সুধিলে।

এই প্ৰশ্নৰ উত্তৰ কিন্তু কীৰ্তিবৰ্মাই তৎক্ষণাৎ দিব নোৱাৰিলে। পত্ৰখন পুনৰ পঢ়াৰ পাছত কীৰ্তিবৰ্মা গভীৰ চিন্তামগ্ন হৈ পৰিল। তাৰ পাছত তেওঁ কীৰ্তিসেনাক ক'লে, “কীৰিতি, বাৰে বাৰে পত্ৰখন

পঢ়াৰ অন্তত—মোৰ ধাৰণা হৈছে যে— সেই বিচিত্ৰ কণ্ঠহাৰ গোসাঁনীৰ মন্দিৰৰ উত্তৰ দিশতে ক'ৰবাত আছে। তাত— ভূমিৰ দুই হাত গভীৰত সেই ৰহস্যময় কণ্ঠহাৰ পুতি থোৱা হৈছে নিশ্চয়!”

এই কথা শুনি কীৰ্তিসেনাই ভাল পালে। কীৰ্তিবৰ্মাই কীৰ্তিসেনাক ক'লে, “ব'লা, কীৰিতি—গধূলিৰ আগে আগে গোসাঁনীৰ মন্দিৰ পাবগৈ লাগিব।”

লগে লগে দুয়ো নিজ নিজ ঘোঁৰাত উঠি গোসাঁনীৰ মন্দিৰলৈ বুলি আগবাঢ়িল।

শক্তিমন্দিৰ পাওঁতে সাঁজ লাগি ভাগিল। দুয়ো ঘোঁৰাবপৰা নামিল।

পৰিপূৰ্ণ। মন্দিৰৰ সকলোতে ডাঙৰ ডাঙৰ কীট-পতংগ, অসংখ্য মকৰা আৰু বাদুলিয়েও ইয়াত বাহ সাজি লৈছে।

এই প্ৰখ্যাত মন্দিৰৰ এনে দুখলগা জীৰ্ণদশালৈ চাই দুয়ো বৰ বেদনাগধূৰ হৈ পৰিল। দুয়ো পৰস্পৰলৈ চালে আৰু দৃষ্টিৰ কৰুণতাৰ যোগেদিয়েই অন্তৰৰ দুখ প্ৰকাশ কৰিলে।

কীৰ্তিসেনাই মন্দিৰৰ প্ৰবেশদ্বাৰৰ তলাৰ চাবি লগত লৈ আহিছিল। কীৰ্তিসেনাৰপৰা মন্দিৰৰ চাবি পাই—কীৰ্তিবৰ্মাই এই সুপ্ৰাচীন মন্দিৰৰ ঘাই দুৱাৰ খুলিলে আৰু দুয়ো মন্দিৰৰ ভিতৰলৈ প্ৰবেশ কৰিলে।

কীৰ্তিবৰ্মাই সাৱধানী দৃষ্টিৰে সেই সূচীভেদ্য অন্ধকাৰৰ মাজেদি মন্দিৰৰ চাৰিওফাল ভালকৈ চাই ল'লে। ইয়াতো যে শত্ৰুৱে জোপ লৈ নাথাকিব—তাৰ তো কোনো নিশ্চয়তা নাই। শত্ৰু মাত্ৰ এঠাইত—এই কথা ভবাৰ যুক্তি নাই।

গোসাঁনীৰ মন্দিৰ তাইৰ নিজগুণেৰেই কালজয়ী হৈ আজিও সগৌৰৱে মূৰ দাঙি থিয় হৈ আছে। কিন্তু কালৰ প্ৰভাৱ এই জাগ্ৰতা গোসাঁনীৰ মন্দিৰেও এৰাব পৰা নাই। এই মন্দিৰ—নানা ধৰণৰ নানান বৰণৰ গছ-গছনিৰে ঢাকখাই পৰোঁ পৰোঁ হৈছে। মন্দিৰৰ চোতাল ধূসি-মাকতিৰে

প্ৰবেশ কৰাৰ লগে লগে হীৰক-অলংকাৰ-খচিত উজ্জ্বল জ্যোতি বিকীৰিত গোসাঁনীমূৰ্তি সিহঁতহালৰ আগত শোভিত হ'ল। দেৱী-মূৰ্তি দৰ্শন কৰি প্ৰণত হৈ—দেৱীক প্ৰণাম কৰিলে আৰু দেৱীৰ চৰণদ্বয় চুম্বন কৰিলে।

আৰু কীৰ্তিবৰ্মাই সেই অপূৰ্ব দ্যুতিময়ী দেৱীমূৰ্তিৰ আগত আঁঠু লৈ মন্ত্ৰমুগ্ধৰ দৰে কৈ থাকিল ঃ

'হে আই মহাশক্তি। যি বস্তু ন্যায়তঃ ধৰ্মতঃ মোৰ, মোৰেই—সেই বস্তুটি পাবলৈ আৰু ল'বলৈ আমি তোমাৰ সমীপলৈ

আহিছোঁ। মই তোমাৰ আগত এই অংগীকাৰ কৰিছোঁ, হে আই! যদি সেই বস্তুটি আমাক দিয়া, সেই বস্তুৰ যহতে যি ফললাভ হ'ব—সেই ফল আমাৰ অগণন প্ৰজায়েই ভোগ কৰিব। সেই বিচিত্ৰ কণ্ঠহাৰত মোৰ অধিকাৰ আছেনে নাই—হে দেৱী! তুমিয়েই জানা। তুমি যদি কৃপা কৰি সেই অমূল্য কণ্ঠহাৰ আমাক দিয়া, তোমাৰ কৃপাধন্য মই—নিশ্চয় তোমাৰ আদেশমতেই জীৱনৰ বাটেৰে গৈ থাকিম। আমি তোমাৰ চৰণাশ্ৰিত হ'ম—তাতকৈ আন কোনো মহত্তৰ বাসনা আমাৰ নাই, আই! আমাৰ এই ভকতিকে তোমাৰ পূজাৰ অৰ্ঘ্য বুলি গ্ৰহণ কৰাঁ, আই আমাৰ!" এই বুলি কোৱাৰ অন্তত ছুয়ো পুনৰ দেৱী-মূৰ্তিৰ চৰণত প্ৰণাম কৰিলে।

অলপ পাছত আকাশত জোন উঠিল আৰু জোনৰ পোহৰেৰে চতুৰ্দিশ ঢৌৰাই গ'ল। কীৰ্তিবৰ্মাই কীৰ্তিসেনাক লগত লৈ মন্দিৰৰ উত্তৰ দিশলৈ আগ বাঢ়ি গৈ থাকিল। চাৰিওফালেই বিধোৰিধ গছ-বন। তাৰে মাজতে এজোপা বিৰাট বৃক্ষ কালৰ সাক্ষীহেন যেন থিয় হৈ আছিল। কীৰ্তিবৰ্মা বৃক্ষজোপাৰ তলত ৰ'লগৈ।

আৰু—কীৰ্তিবৰ্মাই সেই সুপ্ৰাচীন বৃক্ষজোপা তীক্ষ্ণ দৃষ্টিৰে নিৰীক্ষণ কৰিলে আৰু কীৰ্তিসেনাক ক'লে, "কীৰিতি, এই বৃক্ষজোপালৈ চোৱাঁ। এই বৃক্ষ যেনিবা—কালৰ প্ৰবাহকো জয় কৰা বৃক্ষ। হয়তো—এই বৃক্ষৰে ওচৰে-পাঁজৰে ক'ৰবাত সেই বিচিত্ৰ কণ্ঠহাৰ পুতি থোৱা হৈছে!"

"হয়তো!"

কীৰ্তিসেনাই কীৰ্তিবৰ্মাৰ কথাৰ প্ৰতিধ্বনি কৰিলে, "হয়তো! হয়তো—তুমিও নিৰ্ভুল কথাকে কৈছা। কিন্তু—কিন্তু এই ঠাই খান্দি চাবানো কেনেকৈ? খন্দাৰ উপায় কি—?"

[আগলৈ

প্ৰকৃত মূল্যায়ন

অদম্য বিক্ৰমাদিত্য ৰজাই পুনৰ সেই গছৰ ডালৰপৰা মৃতদেহটো নমাই আনি কান্ধত পেলাই লৈ কিনকিনীয়া বৰষুণ আৰু বজ্ৰপাতৰ মাজেদি শ্মশানলৈ বুলি গৈ থাকোঁতে মৃতদেহৰ মাজত থকা বেতালে কৈ উঠিল, "হে মহাৰাজ! তুমি যে প্ৰকৃততেই বিৰাট ৰজা, সন্দেহ নাই। কিয়নো—সাধাৰণ মনুষ্যৰ পক্ষে যুগ যুগ জোৰা এনে আশ্চৰ্য্য ধৈৰ্য্যৰ পৰিচয় দাঙি ধৰা সম্ভৱ নহয়। তথাপি কওঁ—আনকি যদি সামান্য স্বাৰ্থবিহীন ভাবেও ৰাজসুখ এৰি এই অপাৰ সহিষ্ণুতাৰ কাম কৰি আছা--তথাপি তুমি তোমাৰ ত্যাগৰ মূল্য নাপাবও পাৰা। ত্যাগৰ প্ৰকৃত মূল্যায়ন কৰিব পৰা মানুহ—জগতত বিৰল। এই বিষয়ে তোমাক বিশাল দেশৰ ৰাজকীয় কাহিনী কওঁ শুনা।" এই বুলি কৈ, বেতালে পুনৰ ক'বলৈ ধৰিলে:

'বেতাল-কথা'

বিশালদেশৰ মহাৰাজ মহাদত্তৰ একমাত্ৰ সন্তান আছিল কন্যা-সন্তান। নাম তাইৰ বৈশালী। বৈশালীক মহাৰাজে সৰ্ববিদ্যাত পাৰংগম কৰি তুলিলে। বৈশালী কেৱল গুণৱতীয়েই নহয়, যথেষ্ট ৰূপৱতী। আৰু —বৈশালীৰ ৰূপ-গুণৰ খ্যাতিৰ বাবে তাইক বোৱাৰী হিচাপে পাবলৈ বহুতো ৰজায়েই উদগ্ৰীৱ। কিন্তু বাধা—স্বয়ং বৈশালী। কোনো ৰাজপুত্ৰকে তাই তাইৰ বাবে যোগ্য বুলি গণ্য কৰিব পৰা নাই।

*

বিশাল ৰাজ্যৰ উত্তৰ প্ৰান্তত আছিল এক সুবিশাল অৰণ্য আৰু সেই অৰণ্যত বাস কৰিছিল এক ৰাক্ষসী। এই ৰাক্ষসীয়ে সেই ঠাইৰ মানুহক যেতিয়াই-তেতিয়াই ধৰি ধৰি খাইছিল।

ৰাক্ষসীৰ অত্যাচাৰৰ ফলত অৱস্থা যেতিয়া অসহনীয় হৈ উঠিল, তেতিয়া অঞ্চল-প্ৰধান মহাৰাজৰ কাষ চাপিল।

মহাৰাজৰ প্ৰশ্নৰ উত্তৰত অঞ্চল-প্ৰধানে ক'লে, "আমাৰ অৱস্থাৰ কথা যিমানেই কওঁ—কোৱা নহ'ব। ৰাক্ষসীয়ে আমাৰ ঘৰৰপৰা যাক মন যায় লৈ যাব। লৈ যোৱাৰ আগতে ৰাক্ষসীয়ে দুটা প্ৰশ্ন কৰিব, আৰু সেই প্ৰশ্নৰ উত্তৰ দিব নোৱাৰিলেই তাই সেই ঘৰৰ যাক মন যায় ধৰি লৈ যাব।"

"ৰাক্ষসীৰ প্ৰশ্ন দুটা কি?" মহাৰাজে অঞ্চলপ্ৰধানক সুধিলে।

"ৰাক্ষসীৰ প্ৰশ্নৰ অৰ্থ যে কি—আমি কোনেও তাৰ তলা-নলা ঠাৱৰ কৰিব পৰা নাই। পিছে—ৰাক্ষসীয়ে কয়—তাইৰ প্ৰশ্নদুটাৰ উত্তৰ দিব পৰাক তাই ধৰি নিনিয়ে বা নেখায়।" অঞ্চল-প্ৰধানে মহাৰাজক ক'লে।

মহাৰাজে মানুহজনক আশ্বাস দিলে, ৰাক্ষসীৰ বিৰুদ্ধে যথোচিত ব্যৱস্থা ল'ব, ৰাজ্যৰ উত্তৰ সীমাক নিৰাপদ কৰিব।

অঞ্চল-প্ৰধান গুচি যোৱাৰ পাছত

মহাৰাজে এই বিষয়ে তেওঁৰ মহামন্ত্ৰীৰপৰা পৰামৰ্শ বিচাৰিলে আৰু মহামন্ত্ৰীয়ে ভাবি-গুণি ক'লে যে—এই ৰাক্ষসীক বধ-কৰিব পৰাজনক যথোচিত পুৰস্কাৰৰ ঘোষণা কৰা হওক। মহামন্ত্ৰীৰ প্ৰস্তাৱত মহাৰাজ মহাদত্ত সন্মত হ'ল—আৰু এই ৰাজকীয় ঘোষণা ৰাজ্যৰ সকলোতে কৰা হ'ল।

কিন্তু বহুদিনৰ অন্ততো যেতিয়া ৰাজকীয় ঘোষণা মতে 'অৰ্দ্ধৰাজ্য' ল'বলৈ কোনো আগুৱাই নাহিল, তেতিয়া মহাৰাজ মহাদত্ত হতাশ হৈ উঠিল।

তাৰ পাছত হঠাৎ এদিন এজন অতি সাধাৰণ যুৱক মহাৰাজৰ কাষ চাপিল আৰু শিৱৰাম নামৰ সেই যুৱকে ক'লে যে সি হেনো ৰাক্ষসীৰ প্ৰশ্নৰ সদুত্তৰো দিব পাৰিব আৰু সেই ৰাক্ষসীক ৰাজ্যৰপৰা নোহোৱাও কৰিব পাৰিব।

মহাৰাজ মহাদত্তই শিৱৰামক সুধিলে, "ৰাক্ষসী কিমান যে ভয়ংকৰ—জানাই। তুমি বাৰু—পাৰিবানে ৰাক্ষসীৰ সৈতে? তুমি কি বিদ্যাত নিপুণ হোৱাচোন—?"

"মহাৰাজ, কোনো বিদ্যাতে মোৰ নিপুণতা নাই। মই হ'লোঁ হালোৱাৰ ল'ৰা, খেতি-বাতিৰ কাম জানো—ইমানেই।" শিৱৰামে ক'লে।

"তেনে'হলে এনেবোৰ বিপদজনক কামত হাত নিদিয়াই ভাল তোমাৰ পক্ষে। তুমি তোমাৰ ঘৰলৈ উভতি যোৱা। মিছামিছি নিজৰ বিপদ নিজেই মাতি নানিবা।" মহাৰাজে ক'লে।

শিৱৰামে নম্ৰতাৰে ক'লে, "মই ৰাক্ষসীক ৰাজ্যৰপৰা খেদিব বা বধিব পাৰিলেও পুৰস্কাৰ মই নলওঁ, মহাৰাজ! কিয়নো আধা ৰাজ্য পায়ো মই চলাব নোৱাৰিম। ইমান বুদ্ধি মোত ক'ত? মই কোনো লোভত পৰি এই কাম কৰিবলৈ অহা নাছিলোঁ। মোৰ লক্ষ্য হ'ল—ৰাক্ষসীৰ গৰাহৰপৰা ৰাইজক ৰক্ষা কৰা। এই লক্ষ্যত বীৰতাৰ বৰ আৱশ্যকতা মই



দেখা নাই, বৰঞ্চ ধীৰতাৰেহে এই কঠিন কামৰ কিবা এটা সমাধান হ'ব ”

মহাৰাজ শিৰৰামৰ কথাৰে যথেষ্ট প্ৰভাৱিত হ'ল, আৰু তেওঁ তাক এই কাম কৰাৰ অনুমতি প্ৰদান কৰিলে।

আৰু লগে লগে ৰাজসভাৰপৰা ওলাই আহি শিৰৰামে তাৰ চিনাকি পণ্ডিত চন্দ্ৰস্বামীক সকলো কথা ভাঙি ক'লে।

শুনি কিঞ্চিত শেঁতা পৰা চন্দ্ৰস্বামীয়ে শিৰৰামক ক'লে, “মই কিন্তু সেই অৰণ্যত নোসোমাওঁ, এইঁাতিত বহি থাকিম।”

“ঠিক আছে, তোমাৰ যেন ইচ্ছা। মই তেনে—সোমাওঁগৈ অৰণ্যলৈ।” এই বুলি কৈয়েই শিৰৰাম সেই ৰাক্ষসী-অৰণ্যলৈ বুলি খোজ ল'লে। লগে লগে পণ্ডিত চন্দ্ৰস্বামীও গৈ থাকিল, আৰু বাটত লগ লাগিল বিশালদত্ত নামৰ আন এজন যুৱক।

শিৰৰামে বিশালদত্তক ক'লে, “চন্দ্ৰস্বামী হ'ল এগৰাকী প্ৰকাণ্ড পণ্ডিত আৰু মোৰ বন্ধু। ৰাক্ষসীৰ প্ৰশ্নৰ উত্তৰ চন্দ্ৰস্বামীয়েই মোক কৈ দিব বুলিয়েই মই তেওঁক লৈ আহিলোঁ। ঠিক আছে—এতিয়া মই অৰণ্যলৈ সোমাওঁ তেন্তে।”

শিৰৰাম অৰণ্যলৈ সোমাল আৰু অৰণ্যৰ মাজেদি বহু দূৰ যোৱাৰ অন্তত হঠাৎ এক বিৰাট হাঁহিৰ শব্দ শুনিলে। শিৰৰামে ঘূৰি চাই সেই ধুমক'লী ৰাক্ষসীক দেখা পাই ৰৈ দিলে।

ৰাক্ষসীয়ে ভাবিছিল যে—তাঃৰ হাঁহি শুনি আৰু ভয়ংকৰী ৰূপ দেখি মানুহ-পোৱালিয়ে চিত ভোলোঙা দিব। কিন্তু কেনে আচৰিত কথা! ই পোৱালিয়ে দেখোন এখোজ-দুখোজকৈ আহি আছে—আহিয়েই আছে! শিৰৰাম যেতিয়া ওচৰ চাপিল, তেতিয়া ৰাক্ষসীয়ে শিৰৰামক ক'লে, “হেঁঃ হেঁঃ হেঁঃ হেঁ—মোৰ মুখখন দেখিও তোমাৰ হাত হাততে ভৰি ভৰিতে পেট পেটতে আছেনে—? পেটত হাত-ভৰি লুকোৱা নাইনে? ইমান সাহ—

গোটালা ক'পৰাহে? —বাৰু, এতিয়া মোৰ পশ্নৰ জৱাব দিয়াচোন শুনো—?"

শিৱৰামে ৰাক্ষসীক ক'লে, "সোধা, কি সুধিবা সোধা।"

"সৃষ্টিৰ প্ৰত্যক্ষ পৰমেশ্বৰী কোন—?" ৰাক্ষসীয়ে সুধিলে।

"মাত্ৰ এই এটাহে প্ৰশ্নে তোমাৰ?" শিৱৰামে সুধিলে।

"আৰু এটা। অপৰাধীক দণ্ড বিহিও পাছত পস্তায় কোনে?" ৰাক্ষসীয়েপুনৰ সুধিলে শিৱৰামক।

শিৱৰামে ক্ষন্তেকমান ভাবি লৈ ক'লে, "তোমাৰ প্ৰশ্নৰ উত্তৰ দিয়াৰ আগতে মোৰ এটি শেষ ইচ্ছা পূৰাবৰ মন।"

"কি—?" ৰাক্ষসীয়ে সুধিলে।

"মোৰ দুজন বন্ধু এই অৰণ্যৰ বাহিৰত ৰৈ আছে। মই তো তোমাৰ হাতত মৰিমেই, তাৰ আগতে সিহঁতক এবাৰ চাই আহিম।" শিৱৰামে ৰাক্ষসীক ক'লে।

শিৱৰামৰ নিৰ্ভীকতালৈ চাই ৰাক্ষসীয়ে ভালেই পাইছিল। কিয়নো — ইয়াৰ আগতে কোনো মানুহৰ পোৱালিয়ে তাইলৈ চকু দাঙি চাব পৰা নাই। তাই ভাবিলে: এই মানুহজনৰ সাহেৰেহে কিজানি মোৰ সিদ্ধি হ'ব।—এই কথা ভাবি ৰাক্ষসীয়ে ক'লে শিৱৰামক,



"যোৱা। কিন্তু—নপলাবা।"

ৰাক্ষসীৰ পৰা অনুমতি পায়েই শিৱৰামে লগালে লৰ। আৰু একেলৰে সি পালেগৈ পণ্ডিত চন্দ্ৰস্বামীৰ ওচৰ। ওচৰ পায়েই হেঁপাই ফোঁপাই সি চন্দ্ৰস্বামীক ক'লে, ৰাক্ষসীৰ প্ৰশ্নদুটাৰ কথা।

চন্দ্ৰস্বামীয়ে ক'লে, "সৃষ্টিৰ প্ৰত্যক্ষ পৰমেশ্বৰী হ'ল—মাতৃ। আৰু—দ্বিতীয়টোৰ উত্তৰ—খুব সম্ভৱতঃ—ৰাক্ষসীৰ দ্বিতীয় প্ৰশ্নৰ উত্তৰ হ'ব—ৰজা।"

"নহয়—নহয়—" বিশালদত্তই কৈ উঠিল, "দ্বিতীয় প্ৰশ্নৰ উত্তৰো হ'ব মাতৃয়েই। নিজৰ সন্তানৰ ভালৰ বাবে

মাতৃয়ে দণ্ড দিয়ে, কিন্তু পাছত সেই দণ্ড দিয়াৰ বাবে দুখ পায়—পস্তায়।"

শিৰৰামে আৰু এখন্তেকো তাত নৰ'ল। সি পুনৰ দৌৰি দৌৰি ভাগৰি জুগৰি ৰাক্ষসীৰ কাষ পাই লগে লগে চিঞৰি চিঞৰি ক'লে, "তোমাৰ দুয়োটা প্ৰশ্নৰ উত্তৰ হ'ল—মাতৃ!"

এইবাৰ ৰাক্ষসীৰ ৰাক্ষসী ৰূপ গুচি এক দেৱীমূৰ্তিলৈ ৰূপান্তৰিতা হ'ল।

বিস্ময়ত ঠৰ হৈ পৰা শিৰৰামে এই দেৱীমূৰ্তিলৈ পলকহীন দৃষ্টিৰে চাই ৰ'ল।

তেতিয়া এই দেৱীমূৰ্তিয়ে মৃদুকৈ হাঁহিৰে মুখখন উজলাই শিৰৰামক ক'লে, "শিৰৰাম, মোৰ প্ৰকৃত নাম হ'ল—বিদ্যুৎ-প্ৰভা? মই দেৱী নহওঁ, যক্ষিণী। মই শাপগ্ৰস্তা হৈ সেই ৰাক্ষসী-ৰূপ প্ৰাপ্ত হৈছিলোঁ। এতিয়াৰপৰা এশ বছৰৰ আগতে পুণ্ডৰীক নামক এগৰাকী মহাঋষি আছিল। পত্নীৰ মৃত্যুৰ অন্তত মহাঋষি পুণ্ডৰীকে তেওঁৰ কন্যাসন্তানক অতি যত্নেৰে লালন-পালন কৰিবলৈ ধৰিলে। এবাৰ তেওঁৰ সৈতে মোৰ দেখাদেখি হৈছিল আৰু মই তেওঁক বিবাহ কৰাৰ প্ৰস্তাৱ দিছিলোঁ। কিন্তু তেওঁ তেওঁৰ কন্যাটিৰ ভৱিষ্যতৰ কথা ভাবি মোৰ প্ৰস্তাৱ প্ৰত্যাখ্যান কৰিলে। তেতিয়া মই তেওঁৰ কন্যাটিক ভয় খুৱাই সেও কৰাবলৈ সেই ধুমক'লী ৰাক্ষসীৰ মূৰ্তি ধৰিছিলোঁ, আৰু তাইক খপ্ কৰে ধৰি লৈ এজোপা ওখ গছৰ ওপৰলৈ উঠিছিলোঁগৈ। তাই মৰণ-চিঞৰ মাৰি গছৰপৰা বাগৰি পৰিল।

কন্যাৰ চিঞৰ শুনি পুণ্ডৰীক লৰৰি আহিল আৰু ঘটনাৰ লেখ'লৈ মোৰ প্ৰতি এই নিদাৰুণ অভিশাপ দিলে: যি ৰূপ লৈ মোৰ কন্যাক ভয় খুৱাইছিলা, সেই ৰূপতে তুমি যুগ যুগ ধৰি জীয়াই থাকা।

লগে লগে মই মহাঋষিৰ চৰণত পৰিলোঁ আৰু তেওঁৰ ভয়ংকৰ অভিশাপৰপৰা মুক্তি প্ৰাৰ্থনা কৰিলোঁ।

তেতিয়া মহৰ্ষি কিঞ্চিত কুমলিল। তোওঁ ক'লে, "বিদ্যুৎপ্ৰভা, নাৰীৰ মহ তোমাত আৰু নাই। সন্তানে অপৰাধ কৰিলে বিলাপ কৰে, নিজে নিজেই দুঃখবোধ কৰে। মাতৃৰ হৃদয় কোমল বিমল, স্নিগ্ধ-হ'ব লাগে। এই সৃষ্টিৰ প্ৰত্যক্ষ পৰমেশ্বৰী হ'ল—মাতৃ—এই কথা প্ৰতিগৰাকী নাৰীয়ে মনত ৰখা আৱশ্যক। —যি কি নহওক, অভিশাপৰপৰা মুক্ত হোৱাৰ এটি উপায় তোমাৰ আছে। সেই উপায় হ'ল— কোনোৱা মানৰে মই তোমাক কৈ যোৱা এই দুটা প্ৰশ্নৰ উত্তৰ যদি সঠিককৈ দিব পাৰে, তুমি তৎক্ষণাৎ শাপমুক্ত হ'ব পাৰিবা। তাৰ অৰ্থ হ'ল এয়ে যে—প্ৰশ্ন দুটা তুমি সুধিবা, আৰু সেই মানৰে সঠিক উত্তৰ দিব লাগিব, তেহে তোমাৰ সকলো পাপ ধৌত হ'ব, তুমি অভিশাপমুক্ত হ'ব পাৰিবা। এই বুলি কৈ, মহাঋষি পুণ্ডৰীকে মোক প্ৰশ্ন দুটা কৈ দিলে।

শিৰমামে কৈ উঠিল, "কিন্তু মা! তোমাৰ প্ৰশ্ন দুটাৰ উত্তৰ কিন্তু মোৰ প্ৰদত্ত নহয়—মই একেবাৰেই অনাখৰী—!

বিদ্যুৎপ্ৰভা যখিণীয়ে হাঁহিলে আৰু শিৰৰামক ক'লে, "মই যক্ষিণী। মই ইমানকণো নাজানো বুলি ভাবিছানে?"

বিদ্যুৎপ্ৰভাই তেওঁৰ সোঁহাতখন শিৰৰামৰ মূৰৰ ওপৰত থৈ ক'লে, "মোৰ মৰমৰ পুত্ৰ শিৰৰাম! তুমি জগতৰ সকলো শাস্ত্ৰতে আজিৰপৰা সুপণ্ডিত হোৱাঁ। তুমি আজিৰপৰা অলৌকিক শক্তিৰ অধিকাৰী হোৱাঁ।"

এই বুলি কৈয়েই যক্ষিণী বিদ্যুৎপ্ৰভা নিমিষতে তাৰপৰা নোহোৱা হ'ল।

শিৰৰাম আনন্দিত মনেৰে অৰণ্যৰপৰা ওলাই আহিল আৰু সকলো বৃত্তান্ত পণ্ডিত চন্দ্ৰস্বামী আৰু বিশালদত্তক ক'লে।

তেতিয়া চন্দ্ৰস্বামীয়ে ক'লে, "তুমি যক্ষিণীৰ বৰপ্ৰাপ্ত, মহাপণ্ডিত হ'লা। গতিকে—মই বিদায় লৈছোঁ।" এই বুলি

কৈয়েই চন্দ্ৰস্বামী তাৰপৰা গুচি গ'ল।

শিৰৰাম হতবুদ্ধি হৈ থিয় হৈ থাকিল। তেতিয়া বিশালদত্তই তাক ক'লে, "চন্দ্ৰস্বামী হ'ল অতি স্বাৰ্থপৰ পণ্ডিত। ঈৰ্ষালু। তুমি তেওঁৰ আচৰণত মৰ্মাহত নহ'বা।" বিশালদত্তই এধাৰ চন্দনৰ মালা শিৰৰামৰ ডিঙিত পিন্ধাই দিলে।

তেতিয়া শিৰৰামে বিশালদত্তক ক'লে, "চন্দ্ৰস্বামীৰ ঈৰ্ষাৰ কাৰণ মই বুজিলোঁ, কিন্তু তোমাৰ এনে অভিনন্দনৰ কাৰণ কি —নুবুজিলোঁ ৰাজকুঁৱৰী!"

বিশালদত্তৰ ভেশ লৈ অহা ৰাজকুঁৱৰী বৈশালীয়ে লাজ পাই — শিৰৰামক তেতিয়াই ৰাজধানীলৈ আহিবলৈ অনুৰোধ জ্ঞাপন কৰি—তাৰপৰা পোনে পোনেই ৰাজধানীলৈ গ'ল আৰু গৈয়েই মহাৰাজ মহাদত্তক সকলো বৃত্তান্ত বিবৰিলে।

মহাৰাজে শিৰৰামৰ সাহস, বুদ্ধি আৰু নিষ্ঠাৰ শলাগ ল'লে আৰু ৰাজকুঁৱৰীৰ সৈতে শিৰৰামৰ বিবাহ প্ৰদান কৰি— 'আধা' নহয়, সমগ্ৰ ৰাজ্যৰ ৰজা পাতিলে।

এই কাহিনী কোৱাৰ অন্তত বেতালে সুধিলে, "হে ৰাজন্! বৈশালীয়ে শিৰৰামহেন সাধাৰণ এজনক বিয়া কৰাইছিল কিয়? মোৰ এই প্ৰশ্নৰ উত্তৰ জানিও যদি ঠিককৈ নিদিয়া, তোমাৰ মূৰ ফাটি চাৰিফাল হ'ব।"

বেতালৰ এই প্ৰশ্নৰ উত্তৰত ৰজা বিক্ৰমাদিত্যই ক'লে, "ৰাজকুঁৱৰী বৈশালীক কোনো বৈভৱ-অৰ্থাৎ ধন-ঐশ্বৰ্য্য নালাগিছিল, লাগিছিল এজন অতি সহজ সৰল নিষ্ঠাৱান সৎ পতি। শিৰৰামৰ মাজত এইবোৰ গুণ থকা দেখিয়েই শিৰৰামক ৰাজকুঁৱৰীয়ে বিবাহ কৰিছিল।"

ৰজা বিক্ৰমাদিত্যৰপৰা এই সদুত্তৰ শুনিয়েই বেতাল বিজুলীগতিৰে পুনৰ সেই গছজোপালৈ উভতি গ'ল আৰু সেই গছৰ ডালত ওলমি থাকিল। [কল্পিত

চেগুন

ঘৰৰ দ্বাই দুৱাৰ, বা অন্যান্য দুৱাৰ-খিৰিকী. চকী-মেজ-পালেং আদি — হয়তো যেইকোনো কাঠেৰেই বনাব পাৰি ; কিন্তু ধপলা-ধপল খহটা পাতেৰে এবিধ বৰ ওখ ডাঙৰ বিদেশী সুকাঠী গছৰ কাঠেৰে যেনে ভালৰো ভাল তথা আটকধুনীয়া হ'ব —অন্য তেনেকুৱা কেতিয়াও নহ'ব। এই সুকাঠী গছৰ নামেই হ'ল—চেগুন। ল্যাটিন ভাষাত এই গছক 'টেক্‌টোনা গ্রাণ্ডিছ' (Tektona Grandis) বুলি কোৱা হয়। 'টেক্‌টোনা' হ'ল গ্রিক ভাষাৰ 'টেকটান'ৰ ৰূপান্তৰ। টেকটানৰ অৰ্থ হ'ল—বাঢ়ৈ, আৰু 'গ্রাণ্ডিছ'ৰ অৰ্থ হ'ল—ডাঙৰ আৰু শকত। চেগুন হ'ল গছ-গছনিৰ মাজত আটাইতকৈ ওখ ডাঙৰ আৰু শকত। পূৰঠ হৈ উঠা চেগুন এজোপা ৩০ মিটাৰৰপৰা ৬০ মিটাৰলৈকো ওখ হয়।

চেগুনৰ গা-ৰপৰা ডাঙৰ-দীঘল ঠাৰি ওলায়, যিবোৰ ঠাৰি দীঘলে ৬০ চে.মি. আৰু ৩০ চে. মি. বহল। পাতবোৰ প্ৰকাণ্ড, প্ৰায় সৰুসুৰা ছাতি যেন। ন'হলেও হাতীৰ কাণতকৈও ডাঙৰ। পাতৰ ওপৰৰ ভাগ ডাঠ সেউজ, কিন্তু তলৰ ভাগ ৰঙা-বেঙুনীয়া দলিচাহেন লৱনু-কোমল। বিশেষ ঋতুত সৰু সৰু ধকধকীয়া বগাকৈ ফুল ফুলে। বছৰৰ নৱেম্বাৰ-ডিচেম্বাৰ মাহত যেতিয়া চেগুনৰ পাতবোৰ সৰি পৰে, তেতিয়া চেগুনক লঠঙা বৰ শুকান খৰি-গছ যেন লাগে।

চেগুন-কাঠক পৃথিৱীৰ সৰ্বশ্ৰেষ্ঠ কাঠ বুলি কোৱা হয়। চেগুন-কাঠ অতি মজবুত। সেই কাৰণেই —ৰেলৰ ডবা নিৰ্মাণত, সাগৰৰ জাহাজ নিৰ্মাণতো এই শ্ৰেষ্ঠ কাঠৰ ব্যৱহাৰ অত্যধিক। দলং সজাৰ কামত. বা কাঠৰ চকা নিৰ্মাণৰ কামত এই চেগুন অপৰিহাৰ্য্য। মহাৰাষ্ট্ৰৰ 'কালী-গুহা' এই চেগুনৰ কাঠেৰে আজিৰপৰা দুহেজাৰ বছৰৰ আগতে আবৃত কৰা হৈছিল ; কিন্তু এতিয়াও একেবাৰে অবিকৃত উজ্জ্বল অৱস্থাতে আছে। চেগুনৰ সৰ্বশ্ৰেষ্ঠতাৰ এক দেখ দেখ প্ৰমাণ হ'ল মহাৰাষ্ট্ৰৰ এই গুহা।

আমাৰ দেশৰ উত্তৰ ভাৰতত যি চেগুন ওপজে, সেইবোৰ চেগুনতকৈ কেৰল আৰু কাৰ্নাটাকাৰ চেগুন অধিক ভাল। ভালৰো ভাল চেগুনৰ দেশ হ'ল—আজিৰ মায়নমাৰ, অৰ্থাৎ তাহানিৰ মানদেশ।

সুপ্ৰসিদ্ধ ধৰ্মগ্ৰন্থ

জেন্দ্-আৱেস্তা

সপ্তম শতিকাত পাৰস্য আৰু ইৰানদেশৰপৰা কিছুসংখ্যক পাৰ্শী মানুহ ভাৰতলৈ আহিছিল আৰু কালক্ৰমে এইখন ভাৰতবৰ্ষকে তেওঁলোকৰ আপোন দেশ বুলি বুকুত সাৰটি লৈছিল। ভাৰতৰ উন্নতিতো তেওঁলোকৰ দান-বৰঙনি নথকা নহয়। তেওঁলোকক ভাৰতৰ সকলোতেই অল্প-বিস্তৰ পৰিলক্ষিত হয়।

জৰথুস্ট্ৰ (Zarathustra) আছিল এগৰাকী বিচক্ষণ তথা উন্নত বুদ্ধিসম্পন্ন প্ৰবক্তা। পাৰ্শীলোকসকল এই জৰথুস্ট্ৰীয় ধৰ্মৰ অনুগামী। কোৱা হয়, যিশুখৃষ্টৰ জন্মৰ এহেজাৰ বছৰৰ আগতে জৰথুস্ট্ৰৰ জন্ম হৈছিল। তেওঁ ডাঙৰ হৈ যেতিয়া এক পৰ্বতত ধ্যানমগ্ন হৈ নিভৃত জীৱন যাপিছিল, তেতিয়া অকস্মাৎ সমগ্ৰ পৰ্বতত অগ্নি প্ৰজ্বলিত হৈ উঠিছিল। তেওঁ পৰ্বত এৰি আহিল, আৰু তেতিয়াৰেপৰাই তেওঁ হৈ উঠিল মানৱকুলৰ দিশাৰী।

জৰথুস্ট্ৰ যেতিয়া জন্মগ্ৰহণ কৰিছিল, তেতিয়া তেওঁৰ চাৰিওফালে এক জ্যোতিৰ বলয় উদ্ভাসিত হৈছিল বুলি জনশ্ৰুতি আছে। জন্মগ্ৰহণ কৰি তেওঁ হেনো মুঠেই কন্দা নাছিল, হাঁহিছিলহে। শিশুকাললৈকে তেওঁ হেনো সদায় হাঁহিছিল। কোনোবাই সুধিলে কৈছিল ঃ 'ভাল চিন্তিবা, ভাল আচৰিবা ভগৱান পাবা। ভালেই ভগৱান। যদি কেৱল ভাললৈ আগ বাঢ়া, তুমিও মোৰ দৰে হাঁহি থাকিবা'। তেওঁ ভাবিছিল যে মানৱৰ জীৱনত এনেবোৰ দুখ-কষ্ট সদায়েই কিয় দেখা দিয়ে? এই মহাসত্যক জানিবলৈ জৰথুস্ট্ৰ ওলাল। ওলাওঁতে পিতৃয়ে তেওঁক ধন দিব খুজিলে, তেওঁ নল'লে। তেওঁ পিতৃৰপৰা ল'লে—পিতৃৰ কঁকালত থকা এডাল পেটী! তেওঁ পিতৃক ক'লে যে—এই পেটীডালে তেওঁক তেওঁলোকৰ অৰ্থাৎ পিতৃ-মাতৃৰ কথা সোঁৱৰাই থাকিব, এয়া হ'ব গৃহৰ স্মৃতি-চিন। তেওঁ দহ বছৰকাল পৰ্বতত ধ্যানমগ্ন হৈ তপস্যাৰ যোগেদি পৰম সত্যক অন্বেষণ কৰিছিল আৰু শেহান্তৰত 'আহুৰা মজ্‌দা'ৰ (দিব্যকান্তিপুৰুষ) সৈতে বাক্যালাপ কৰি সত্যজ্ঞান প্ৰাপ্ত হৈছিল। দিব্যকান্তিপুৰুষজনাই তপস্বী জৰথুস্ট্ৰক যি কৈছিল, সেই উপদেশসমূহ তেওঁ তেওঁৰ সমগ্ৰ জীৱনকাল ধৰি ঘূৰি ঘূৰি লোক-সমক্ষত প্ৰচাৰ কৰিছিল।

জৰথুষ্ট্ৰৰ উপদেশ 'জেন্দ-আৱেস্তা' নামৰ গ্ৰন্থত সন্নিৱিষ্ট হৈছে। পোনতে এই ধৰ্মগ্ৰন্থত একৈছ আৱেস্তা আছিল। কিন্তু কালক্ৰমে এই সংখ্যা হ্ৰাসপ্ৰাপ্ত হ'ল।

বানপানীয়ে উটুৱাই লে যোৱাত জৰথুষ্ট্ৰ-কথিত সেই একমাথোন গ্ৰন্থ আৰু অন্যান্য গ্ৰন্থৰো সামান্য অংশ মাত্ৰ পোৱা গৈছিল। 'জেন্দ-আৱেস্তা' আৰু আমাৰ 'বেদ' গ্ৰন্থৰ সূক্তসমূহৰ মাজত আশ্চৰ্য্য সাযুজ্য আছে।

'আহুৰা মজ্‌দা'—আলোকৰ তথা সত্যৰ অধিপতি। আৰু—অহিমান হ'ল অন্ধকাৰ তথা দুষ্টতাৰ নেতা। উভয়ৰ মাজত অহৰ্নিশি যুদ্ধ চলি আছে। 'আৱেস্তা'ৰ বক্তব্য হ'ল যে—দুষ্টশক্তিৰ নাশ হৈ শিষ্টশক্তিয়ে এদিন চূড়ান্ত জয়লাভ কৰিব।

"মানৱ যদিও 'অৰ্মাজ্‌দ'-অৰ সৃষ্টি, তথাপি, মানৱত দৃষ্টিশক্তিৰ যথেষ্ট প্ৰভাৱো নথকা নহয়। মানৱে সত্যৰ কাৰণে জীৱন উছৰ্গিবলৈকো সাজু হ'ব লাগিব, তেহে দুষ্টশক্তি হ'ব পৰাভূত।"—এই সূক্তটিতে জৰথুস্ট্ৰই তেওঁৰ সুদৃঢ় প্ৰত্যয় ব্যক্ত কৰিছে।

তেওঁ আৰু কৈছে যে: মানৱে সৎকাৰ্য্য কৰি থাকিলেই দেৱত্ব প্ৰাপ্ত হ'ব, সৎকাৰ্য্যেইহে মানৱক ভগৱানৰ সমীপলৈ লৈ যাব।

"মানৱ বিশ্বাসৱান হওক, সত্য পথ অৱলম্বন কৰক, অবিচলিত ভাৱে দুখ-কষ্ট সহক, তেতিয়া মানৱ-জন্ম হ'ব প্ৰক্ষালিত আৰু হ'ব অনন্ত জীৱনৰ অধিকাৰী।"

আমি জানোনে?

১. উপসাগৰীয় দেশসমূহৰ মাজত সৰ্বাতোকৈ ক্ষুদ্ৰ দেশ ?
২. ভাৰতৰ ৰাষ্ট্ৰীয় চিত্ৰত থকা তিনিটি জন্তু কি কি ?
৩. পোল্যাণ্ড‌দেশ-প্ৰদত্ত 'শিশু-পুৰস্কাৰ'ৰ নাম কি ? কোনোবা ভাৰতীয়ই এই পুৰস্কাৰ পাইছেনে ?
৪. 'মেছোপোটেমিয়া'ৰ অৰ্থ হ'ল—দুখন নৈৰ মাজৰ দেশ। সেই নৈ দুখনৰ নাম আৰু দেশখনৰ নাম কি ?
৫. ভাৰতৰ প্ৰথম মহাকাশচাৰী কোন ?
৬. বাঁহীত কিমান বিন্ধা থাকে ?
৭. 'চেৰনোবিল'ৰ দুৰ্ঘটনা কেতিয়া ঘটিছিল ?
৮. সৰুতে ঝান্সীৰাণীৰ অন্য এটি নাম আছিল। কি নাম ?
৯. 'প্ৰেশ্বাৰ কুকাৰ'ৰ আৱিষ্কৰ্তা কোন ?
১০. পৃথিৱীৰ দেশসমূহৰ প্ৰস্থৰ ক্ষেত্ৰত ভাৰতৰ স্থান ক'ত ?
১১. একেখন পৰিয়ালৰ চাৰিগৰাকীয়ে ন'বেল বঁটা পালে। পৰিয়ালখনৰ নাম ?
১২. ভাৰতৰ ৰাষ্ট্ৰীয় পতাকাৰ বৰণ কোনে স্থিৰ কৰিছিল ?
১৩. এটুপি তেজে সৰ্বদেহ পৰিভ্ৰমি আহোঁতে কিমান সময় লয় ?
১৪. আন্টাৰ্কটিকাত ভাৰতৰ প্ৰথম স্থাবৰ কি ?
১৫. কাজুবাদামত কোন শ্ৰেণীৰ ভিটামিন অধিক ?
১৬. ইংৰাজি-ভাষাৰ প্ৰথম শিশু-আলোচনীখনৰ নাম ?

উত্তৰ

১. বহ্‌ৰিয়িন (বাহাৰিন)।
২. সিংহ, অশ্ব, ষণ্ড।
৩. 'অৰ্ডাৰ অভ্ স্মাইল,' কাৰ্টুনিষ্ট শংকৰ, 'চিলড্ৰেন ওৱাৰ্ল্ড'ৰ সম্পাদক।
৪. দেশখনৰ নাম 'ইৰাক,' নৈ দুখনৰ নাম টাইগ্ৰিছ, য়ুফ্ৰেটিছ।
৫. ৰাকেশ শৰ্মা।
৬. আঠোটা।
৭. ১৯৮৬ চনৰ ২৬ এপ্ৰিল।
৮. মণিকৰ্ণিকা।
৯. ৰবাৰ্ট বোয়েল।
১০. সপ্তম।
১১. ক্যুৰি, মাৰী ক্যুৰি, পিয়েৰে ক্যুৰি, এৰিন ক্যুৰি। ক্যুৰি-পৰিয়াল।
১২. পিংলি ভেংকয়া।
১৩. ৰিছ মিনিট।
১৪. দক্ষিণ গংগোত্ৰী।
১৫. ভিটামিন 'চি'।
১৬. 'দ্য লিলিপুটিয়ান'।



ভোক-চোৰ

নাম তাৰ নৰোত্তম। কিন্তু হ'ল কি হ'ল—ঘৈণীয়েকে কয় 'নৰাধম'। কিয়নো—নৰোত্তম এতিয়া দুখীয়াৰো দুখীয়া যদিও—তাৰ ঘৈণীয়েকে কয়—কিয়নো সি নৰাধমে কৰাইছিল বিয়া ?

ঠিক কথা। হক কথা। হক কথা শুনিবই লাগিব। নৰোত্তমে ভাবে : এয়া হ'ল—সেই যে কি বোলে—ঠাই দিবৰ গুণ, টপটপনি শুন। শুনিব লাগিবই।

শুনি শুনি শুনি ভাবি ভাবি-গুণি—এদিন ন ৰো ত্ত ম ল'ৰা-ছোৱালী-পৰিবাৰক লৈ—গাঁও এৰি আন ক'ৰবালৈ গৈ পেট প্ৰৱৰ্তাবলৈ দিহা কৰিব বুলি ভাবিলে, আৰু ভাবি—খোজেই ল'লে।

গৈ গৈ—এঠাইত দেখা পালে—ৰভা। বিয়া পাতিছে। তাতেই উখলি-মুখলি। খোৱাবস্তুৰ গোন্ধে মমৰাইছে, আৰু নৰোত্তমহঁতৰো পেটৰ কেঁচু-কুমাটি মৰিব লাগিছে। ল'ৰা-ছোৱালীহঁতে ভোকত আৰু বিয়াঘৰৰ ৰন্ধাৰ গোন্ধত বলিয়াহেন হৈ উঠিছে। কিন্তু—কিন্তু সিহঁত তো নিমন্ত্ৰিতো নহয়, আৰু খুজি খোৱাৰ অভ্যাসো নাই। ইপিনে—কেৱল ল'ৰা-ছোৱালীহঁতেই নহয়, নৰোত্তম নিজেও বলিয়াহেন হৈ উঠিল, আৰু এছেগত—বিয়াঘৰৰ বা ন্ধ নি শা ল লৈ কোনেও নেদেখাকৈ সোমাই গ'ল।

সি-ও সোমাল, আৰু আন এজনীও আহিল। গতিকে—নৰোত্তমে যি ভাবিছিল যে—কিছুখিনি খোৱাবস্তু চোলাৰ জেপত ভৰাই, চুৰিয়াৰ লুচতে বান্ধি লৈ—সোমোৱাৰ দৰেই—কোনেও

পুৰুষোত্তম দাস

নেদেখাকৈ ওলাই আহিব—নহ'ল।

ৰভাঘৰৰপৰা কোনোবা এজনে চিঞৰি কৈ উঠিল, "কান্তা—কান্তা, আহোঁতে কিছুখিনি লাড়ু লৈ আহিবা—।"

ৰান্ধনিশাললৈ যিজনী সোমাই আহিছিল, তাই ক'লে, "বাৰু, লৈ যাম।" তিমানতে নৰোত্তম—এটা বিৰাট আকাৰৰ টৌৰ আঁৰত লুকাইছিলগৈ। কান্তাই নৰোত্তমক দেখা নাপালে। তাই অতি সাৱধানী দৃষ্টিৰে ইফালে-সিফালে চাই এধাৰ সোণৰ হাৰ ক্ষীৰৰ পাত্ৰটোৰ ভিতৰত থৈ দিলে। তাৰ পাছত লাড়ু কিছুমান হাতত লৈ ৰভাঘৰলৈ তায়ো খোজ ল'লে, আৰু ৰুটি খনদিয়েক হাতত লৈ নৰোত্তমেও ৰান্ধনিশালৰপৰা ওলাই যাবলৈ খোজ বঢ়ালে।

কিন্তু নৰোত্তমক কেইবাজনেও দেখা পাই 'চোৰ' 'চোৰ' বুলি চিঞৰি দিলে আৰু দৌৰি আহি হাতে-লুটে ধৰিলে।

নৰোত্তমক গৃহস্থৰ ওচৰলৈ লৈ যোৱা হ'ল। ই যে কিমান দগধা চোৰ—সেই কথা বহুতেই বহুধৰণে অলেখ উদাহৰণৰে গৃহস্থক—প্ৰমদা ডাঙৰীয়াক বিবৰিলে। কিছুমান ক'লে যে—ৰাতিৰ চোৰ—নগণ্য চোৰহে; কিন্তু এই বেলাই-পোহৰে যিবোৰে চুৰি কৰিবলৈ আহে—সেই দিনৰ চোৰ অতি ভয়ংকৰ। এই কথাত সকলোটিয়েই একমত হ'ল।

গৃহস্থই মুচুক্‌কৰে হাঁহি মাৰি ক'লে, "হ'ব। আপোনালোক যি সাহ দেখুৱালে—এক কথাত অদ্বিতীয়। বিয়া-ছাদীত এনেকুৱা হয়েই, বৰ আচৰিত কথা নহয়। পিছে—তথাপি আপোনালোকৰ চোৰ-ধৰা-চতুৰালি—শলাগিবলগীয়া। বাৰু, যা হওক—" গৃহস্থই তেওঁৰ ঘৰৰ ভৃত্য এজনক ক'লে, "ইয়াক মোৰ কোঠালৈ লৈ যা। ৰাতিৰ চোৰক এৰিব পাৰি দিনৰ চোৰক শুদাই এৰিব নোৱাৰি।"

নৰোত্তমে কৈ উঠিল, "ডাঙৰীয়া, মই

চোৰ নহওঁ। মই চাৰিটা ল'ৰ -ছোৱালীৰ পিতৃ; কিন্তু মই নিবনুৱা। ইমান দিন মই ভোকৰ ওপৰত বিজয়লাভ কৰিছিলোঁ, ভোক-ৰাক্ষসীক দমাই ৰাখিছিলোঁ; কিন্তু আজি ভোকেই মোক পৰাজিত কৰিলে— যাৰ ফলত মই জ্ঞানশূন্যৰ দৰে আপোনা-লোকৰ ৰান্ধনিশাললৈ সোমাইছিলোঁগৈ। গতিকে আচল চোৰ হ'ল—ভোক।"

গৃহস্থই হাঁহিৰে সৈতেই ক'লে, "চোৰ —চোৰেই। সেই চোৰ তুমি বা তোমাৰ ভোক — যেয়েই নহওক। শাস্তিশলা পাবই লাগিব, ল'বই লাগিব।"

নৰোত্তমক গৃহস্থ প্ৰমদা ডাঙৰীয়াৰ কোঠালৈ লৈ যোৱা হ'ল গৃহস্থই নৰোত্তমক চকি এখনত বহিবলৈ ক'লে। পাছত গৃহস্থৰ আদেশত নৰোত্তমক প্ৰচুৰ মিঠাই খাবলৈ দিয়া হ'ল আৰু নৰোত্তমেও পেট পুৰাই খালে।

তেতিয়া গৃহস্থই নৰোত্তমক সুধিলে, "তোমাক মই কিয় খুৱালোঁ জানানে?"

নৰোত্তমে মূৰ জোকাৰিলে। নাজানে।

"যিকোনো দ্ৰৰিদ্ৰনাৰায়ণ হ'ল— পৰমব্ৰহ্মস্বৰূপ। আৰু তুমি চোৰ—এই কথাটো মেয়ো ভবা নাই। তোমাৰ কথা-বতৰা অতি মাৰ্জিত তথা সুখশ্ৰাব্য। কিন্তু —তথাপি তুমি কিয় এনেকৈ চুৰি কৰি খাবলৈ সোমাইছিলাহি—ক'বানে?"

তেতিয়া, গৃহস্থৰ প্ৰশ্নৰ উত্তৰত নৰোত্তমে আদ্যোপান্ত বিবৰিলে। নৰোত্তমে ক'লে যে—একালৰ অতি সমৃদ্ধ সিহঁতৰ পৰিয়ালখন বেহা-বেপাৰৰ লোকচানত পৰি কেনেকৈ ধ্বংস হৈ গ'ল। এইবোৰ কোৱাৰ অন্তত নৰোত্তম পুনৰ ক'লে, দাৰিদ্ৰ্যৰ কাৰণে মোৰ মনত বৰ দুখ নাই। কিন্তু—মোৰ ল'ৰা-ছোৱালীৰ কথা পৰিবাৰৰ কথা ভাবিলেই মূৰ আচন্দ্ৰাই কৰি উঠে। শ্ৰম কৰি পেট প্ৰৱৰ্তাবৰ সামৰ্থ্যও আছে, ইচ্ছাও নথকা নহয়; তথাপি—বন নাপাই থাপি নিবনুৱা!"

"ঠিক আছে, চিন্তা নকৰিবা। মই তোমাক কামত ল'লোঁ। কিন্তু তাৰ আগতে— তোমাৰ মনে-খোৱা মতে খোৱাবস্তু লৈ যোৱা আৰু ল'ৰা-ছোৱালী-হঁতক পেট পুৰাই খুৱাই আহাঁগৈ।" গৃহস্থই ক'লে, "কিন্তু তুমি কিবা কথাত ভয় কৰি গুচি নোযোৱা যেন। মই জানোৱেই—সকলো চুৰি চুৰি নহয়, বাধ্যত পৰি হোৱা চোৰ—চোৰ নহয়। আৰু — আচল চোৰ— আমিবোৰহে, যিবোৰে তোমালোকৰ প্ৰাপ্য বস্তুও চোৰাংকৈ আমাৰ ঘৰৰ ভঁৰালত ভৰাই থওঁ তোমালোকৰ ভোকেই আচল চোৰ।"

গৃহস্থ অলপ ৰ'ল। তাৰ পাছত তেওঁ নৰোত্তমক সুধিলে, "ভোজন— কেনে পালা নক'লা যে—?"

"খুব ভাল, বৰ ভাল। পিছে—সোণৰ ক্ষীৰ ভালৰো ভাল।" নৰোত্তমে ক'লে।

"কি কথা! সোণৰ ক্ষীৰ—মানে?"

তেতিয়া নৰোত্তমে কান্তাৰ কথা— কান্তাই সোণৰ হাৰ চুৰি কৰি ক্ষীৰত থৈ দিয়াৰ কথা কৈ দিলে।

গৃহস্থই কান্তাৰ মতাই অনাই জেৰাৰে জেৰবাৰ কৰাত তাই বিয়াৰ কইনাৰ সোণৰ হাৰ এধাৰ ক্ষীৰৰ পাত্ৰত লুকুৱাই থোৱাৰ কথা স্বীকাৰ কৰিলে আৰু ক্ষীৰৰ পাত্ৰৰপৰা উলিয়াই আনি ওভোতাই দিলে।

কান্তাৰ কাহিনীও একেই। ডাঙৰ পৰিয়াল, গিৰিয়েক তাইৰ চিৰ-ৰুগীয়া, সেইহে এই চুৰি—যাৰ গুৰিত সৰ্বগ্ৰাসী ভোক—ক্ষুধা!

গৃহস্থই কান্তাকো দণ্ড নিদিয়াকৈ স্থায়ী-ভাবে কামত মকৰল কৰি সিহঁতৰ ভোকত ভাত পিয়াহত পানীৰ বন্দৱস্ত কৰিলে। আচল চোৰ যে ভোক আৰু তেওঁলোক যে ভোক-চোৰৰ ৰক্ষাকাৰী— সেই কথাত গৃহস্থই মানি লৈছিল।

চান্-মোমাই

গোবিনৰ দায়িত্বৰ কথা কৈ শেষ কৰিব নোৱাৰি। সেই যে বোলে—ৰাতি আলে-জালে, দিনত কাটে ভোমা-নালে—প্ৰায় তেনেকুৱাই তাৰ অৱস্থা।

কিন্তু—এইবোৰ কাম কৰাৰ মন থাকিলেওবা ধন পায়নো ক'ত? গোবিনৰ জগৰ হ'ল যে—সি ঘৰখনৰ ডাঙৰ। আৰু ঘৰৰ সকলোটিয়েই তাৰ জগৰ ধৰিবলৈহে যেন সদায় টঁ টঁ-কৈ চাই আছে। সেই যে কয় বোলে: দোকানীয়ে বিচাৰে নগৰ, বজাই বিচাৰে জগৰ—কথা তেনেকুৱাই।

কিছুমান চিনাকিয়ে গোবিনক কয়: বোপাহে—সাৰ কথাটি হ'ল ধন, নহ'লে সকলো অসাৰ। গতিকে—ই-উপায় সি-উপায় যি-উপায়েৰেই নহওক—ধন লাগে—যেনেতেনে ধন আৰ্জিব লাগে।

কিন্তু গোবিনৰ ৰুগীয়া-ভুগীয়া দেউতাকৰ কথা আন। তেওঁ গোবিনক কয়: নাথাকে নাথাকক ধন, তথাপি লেতেৰা নকৰ্ মন। সকলো দুখ সহিবি, তথাপি সজ হৈ থাকিবি।

ইপিনে—ধনৰ কথা ভাবি ভাবি গোবিনৰ মূৰেদি ধনঞ্জয়বায়ু উৰি থাকিল, আৰু সেইহে সি এদিন যেনিয়ে চকু যায় গৈ থাকিল—গৈয়েই থাকিল।

এইদৰে, গৈ গৈ, বহু দূৰ পাই সি ভাগৰি পৰি এজোপা গছৰ তলত বহিল। আৰু লগে লগে এটা বগাভূত সেই গছজোপাৰপৰা ধুপুচ্‌কৈ তললৈ পৰি গোবিনৰ আগত থিয় হ'ল।

দেখি গোবিনৰ বুকুত যদিও ঢেংকুৰুচ উঠিল, তথাপি সি নিজক চম্ভালি ল'লে।

আহ.ছানউল্লাহ'

গোবিনে জানে—ভয় খাই লাভ নাই।

ভূতটোৱে গোবিনক ক'লে, "শুনা, মই তোমাৰ কোনো অনিষ্ট নকৰোঁ। মই অকলশৰীয়া। মোৰ লগত কথা পাতা। তোমাৰ ধনৰ অভাৱ মই পূৰাম। কিন্তু তাৰ আগতে মোৰ লগত ভাল ভাল কথা ক'ব লাগিব, মোক চান্দামাৰ গল্পও অল্প অল্প শুনাব লাগিব। তেহে তোমাক দিম ধন, লাগে যদি দিম—" ঢেৰ ৰূপ-সোণ।

গোবিনে বগা ভূতটোক এক-লেথাৰিয়ে কেইবাটাও চান্দামামাৰ গল্প-কাহিনী ক'লে। শুনি ভূতটোৱেও বৰ মজা পালে। ভূতটোৱে ক'লে, "এইবোৰ গল্প—মানুহে কিয় পঢ়ে? এইবোৰ দেখোন ভূতৰহে যুইগ্য। হেৰা চান্‌মামাৰ মোমাই— যি কি নহওক — তুমি কৈ থাকা। আৰু—আৰু এটা কথা। এইবোৰ চান্‌মমীয়া গল্প কিমান দিনলৈ মোক ক'ব পাৰিবা?"

"যিমান দিন জোন-বেলি আকাশত থাকিব ক' পাৰিম—কৈ থাকিম—ক'য়েই থাকিম—।" গোবিনে ক'লে।

তাৰ পাছত ভূতটোৱে গোবিনক এমোনা সোণৰ মুদ্ৰা দিলে আৰু ক'লে, "যোৱা, ঘৰলৈ যোৱা, অৰু এইখিনিৰে যি কৰা কৰি-ধৰি অতি সোনকালে পুনৰ আহঁা। ইয়ালৈ'। মোক এ'তে পাবা। চান্‌মামাৰ মোমাইটি—নকৰা যেন আখুটি।"



এমোনা সোণৰ মুদ্ৰা লৈ গোবিন গ'ল ঘৰলৈ। গৈ—ৰুগীয়া দেউতাকৰ চিকিৎসা কৰালে, পাটৰ শাড়ী কিনি আনি মাকৰ চখ পূৰালে আৰু ভনীয়েকৰ বিয়াৰ বাবে দৰাও চালে, দৰাক দৰে-ভাণ্ডৰে পোনালে, আৰু তাৰ পাছত—দহদিনৰ অন্তত পুনৰ সেই গছ-তললৈ বুলি খোজ ল'লে।

এইবাৰ— একেৰাহে তিনদিন ধৰি গোবিনে চান্দমামাৰ গল্প শুনালে ভূতটোক। ভূতটোৰ কী যে আনন্দ! ভূতটোৱে ক'লে, "চান্‌মামাত যে কিমান মজা! হওক গাজা, তেও মজা! আৰু তুমি মোমাই গল্পৰ ৰজা! তোমাক আৰু নেৰিছোঁ, মোৰ লগত সদায় থাকিবা, ইয়াতে খাবা, ইয়াতে শুবা, ইয়াতে তোমাৰ শু-জীৱন কটাবা।"

ভূতটোৱে তৎক্ষণাৎ গোবিনক দুই মোনা ধন-সোণ দিলে আৰু ক'লে, "যোৱা, ঘৰলৈ যোৱা, যাৰ কাৰণে যি কৰ্তব্য কৰিব লাগে কৰি—আক' গুচি আহে ভালে ভালে—আৰু অতি সোনকালে।—কিন্তুক এটা কথা ৰাখিবা মনত, মই থাকোঁ এই গছত— একেবাৰে অকলশৰীয়া, নাই মোৰ কোনো লগৰীয়া। সেইহে তোমাক লাগেই মোক, চান্‌মামা নিগিলোঁমানে নুগুচে মোৰ মনৰ ভোক। ক'ব লাগিব সদায় গাজা, নহ'লে পাবা বিষম মজা-কৈছোঁহে মই ভূতৰ ৰজা।"



দুশ্চিন্তিত গোবিন দুমোনা ধন-সোণ লৈ ঘৰলৈ গ'ল, ভনীয়েকৰ বিয়া পূৰ্ণ পয়োভৰেৰে পাতিলে, ঘৰ-দুৱাৰ নতুনকৈ সাজিলে আৰু তাৰ পাছত গভীৰভাৱে ভাবিলে : এইবোৰ যে কৰিলোঁ—কিমান দিননো কৰিম ? এদিন নহয় এদিন দেখোন ভূতৰ হাততে মৰিম! ভূতৰ হোকাত ধঁপাত হুপি—কেনেকৈনো হ'ম সুখী ? আৰু—কিমাননো ক'ম গাজা, তাক দিবলৈ মজা ? তাতকৈ ভাল মৰণ, তাতেই লওঁগৈ শৰণ।

যেন ভবা তেন কাম, গোবিন হ'ল তাৰ নাম। সি পাহাৰৰপৰা জঁপিয়াই পৰি মৰিবলৈ গৈ—তাত সৰলা নামৰ এজনী দুখুনীকো লগ পালে—যিজনীয়ে সতিয়ে মাকৰ অত্যাচাৰত জলা-কলা দেখি ইয়ালৈ মৰিবলৈ আহিলে।

পৰস্পৰে পৰস্পৰৰ দুখৰ কাহিনী কোৱাৰ অন্তত সাব্যস্ত হ'ল যে—মৰণত শৰণ লোৱাৰ স্যকাম নাই, তাতকৈ কি বোলেনে—জীৱনক মৰম কৰাই ভাল।

যি কি নহওক — গোবিনে তাৰ কৰ্তব্যৰ কথা নাপাহৰিলে, তাৰ কৰ্তব্য পালিবলৈ ভূতৰ ওচৰলৈ গ'ল। সি সৰলাকো লগত লৈ গ'ল।

কিন্তু তাত ভূতৰ সলনি এজন দেৱতাক দেখা পাই বিস্মিত হৈ পৰিল সি।

এই দেৱতাই গোবিনক ক'লে, "মই প্ৰকৃততে দেৱতা। শাপগ্ৰস্ত হৈ ভূত হৈ আছিলোঁ। তোমাৰ সহযোগেৰেই মই শাপমুক্ত হ'লোঁ, তোমাৰ ত্যাগৰ মন্ত্ৰয়েই হ'ল মোৰ মুক্তিমন্ত্ৰ। এয়ে মোৰ লগত শেষ দেখাদেখি। তোমালোকৰ প্ৰথম দেখাদেখিয়েই হওক পকাপকি—উজলি উঠক তোমালোকৰ জীৱনৰ চাকি !"

এই বুলি কৈ, দুয়োজনৰ হাতত এমোনাকৈ ধন-সোণ দি সেই ভূতৰূপী দেৱতা নিমিষতে অদৃশ্য হৈ পৰিল।



ক্ৰোধিত শুক্ৰাচাৰ্য্যই যযাতিক ‘অকাল-বাৰ্ধক্য’ৰ অভিশাপ প্ৰদান কৰাত যযাতিয়ে শুক্ৰাচাৰ্য্যৰ ওচৰত আঁঠু ল’লে আৰু কৰুণ কণ্ঠেৰে ক’লে, “হে মহাত্মন্! আপোনাৰ এই অভিশাপ ন্যায়সংগত নহয় যেন বোধ হৈছে। শৰ্মিষ্ঠাই মোৰপৰা সন্তান ভিক্ষা কৰাতহে মই শৰ্মিষ্ঠাক মাতৃত্ব প্ৰদান কৰিলোঁ। দেৱযানীৰ প্ৰতি উপেক্ষা প্ৰদৰ্শন মোৰ উদ্দেশ্য নাছিল।”

“কিন্তু মোৰ অভিশাপৰপৰা তোমাৰ মুক্তি নাই। মোৰ অভিশাপ কদাপি ব্যৰ্থ নহ’ব। যি কি নহওক—কোনোবা যুৱকে যদি তাৰ যৌৱন তোমাক দান কৰে, তুমি অকালবাৰ্ধক্যৰপৰা সাময়িক ভাবে মুক্তি হৈ থাকিব পাৰিবা।” শুক্ৰাচাৰ্য্যই ক’লে।

চাওঁতে চাওঁতে যযাতি বৃদ্ধ হৈ পৰিল। তেওঁ অস্থি-চৰ্মসাৰ হ’ল, দেহচৰ্ম কোঁচ খাই পৰিল, দৃষ্টিশক্তি ক্ষীণ হ’ল আৰু দাঁত সৰি মুখমণ্ডল হ’ল বিকৃত।

এনে পৰিস্থিতিত তেওঁ তেওঁৰ জ্যেষ্ঠপুত্ৰ যদুক সুধিলে, “বোপা, তুমি কিছুদিনৰ বাবে তোমাৰ যৌৱন মোক দান কৰিবানে? কিছুদিনৰ অন্তত তোমাৰ যৌৱন তোমাক পুনৰ ফিৰাই দিম।”

পুত্ৰ যদুৱে ক’লে, “যৌৱন নথকা জীৱন কোনো জীৱনেই নহয়, সমূলি অসাৰ। আশা-আকাংক্ষাৰ নিবৃত্তিৰ একমাত্ৰ কাল হ’ল—যৌৱকাল। গতিকে

‘শকুন্তলা-কথা’

মই সন্মতি দিবলৈ অপাৰগ।"

আৰু তাৰ পাছত তেওঁ একে একে সকলো পুত্ৰকে এই প্ৰস্তাৱ দিলে, কিন্তু সিহঁতেও তেওঁৰ এই প্ৰস্তাৱ প্ৰত্যাখ্যান কৰিলে আৰু পিতৃৰ এনেহেন অশোভন আকাংক্ষাৰ নিন্দাও কৰিলে।

অভিশপ্ত বৃদ্ধ যযাতি যেতিয়া হতাশাৰ অন্ধকাৰত নিক্ষিপ্ত হ'ল, তেতিয়া সেই ঘনান্ধকাৰত অকস্মাৎ আলোকৰূপে আৱিৰ্ভূত হ'ল শৰ্মিষ্ঠাৰ 'পুৰ' নামৰ কনিষ্ঠ পুত্ৰ। পুৰই তাৰ যৌৱন বৃদ্ধ যযাতিক প্ৰদান কৰিলে আৰু নিজে যযাতিৰ বাৰ্ধক্যক বৰণ কৰি ল'লে।

বাৰ্ধক্য গুচি যৌৱন প্ৰাপ্ত হৈয়েই যযাতিয়ে 'বিশ্বাচী' নামৰ অপ্সৰা এজনীক লৈ এক অজ্ঞাত স্থানলৈ গুচি গ'ল আৰু নিজৰ সৰ্ব আকাংক্ষা পূৰণ কৰাৰ অন্তত পুনৰ স্বস্থানলৈ উভতি আহিল আৰু শৰ্মিষ্ঠা-পুত্ৰ পুৰক তাৰ যৌৱন পুনৰ প্ৰত্যৰ্পণ কৰিলে।

পুৰৰ দুজনী পত্নী আছিল—'পৌষ্টি' আৰু 'কৌশল্যা'। এই দুজনীয়েই আছিল পুত্ৰসন্তানৰ জননী। এই পুত্ৰহঁতৰ মাজৰ জনমেজয়ৰ যোড়শ পুৰুষত দুষ্যন্ত জন্মলাভ কৰিছিল। এই দুষ্যন্তই বিশ্বামিত্ৰ মুনিৰ কন্যা শকুন্তলাক গান্ধৰ্বমতে বিবাহ কৰিছিল। এই দুষ্যন্ত-শকুন্তলাৰ পুত্ৰ আছিউ—ভৰত।

বিশ্বামিত্ৰ-কন্যাৰ জন্ম-কথা হ'ল:

বিশ্বামিত্ৰ তেতিয়া ঘোৰ তপস্যাত মগ্ন। বিশ্বামিত্ৰৰ কঠোৰ তপস্যা দেখি দেৱৰাজ ইন্দ্ৰ ভীত হৈ উঠিল। ইন্দ্ৰৰ এই ভীতিৰ কাৰণ আছিল কাল্পনিক। ইন্দ্ৰই ভাবিছিল যে — বিশ্বামিত্ৰই এনেহেন ক ৰ তপস্যাত যদি সিদ্ধিলাভ কৰে তেনেহ'লে বিশ্বামিত্ৰই দেৱতাসকলৰ অনিষ্ট কৰিব পৰা শক্তি লাভ কৰিব। গতিকে—ইন্দ্ৰই বিশ্বামিত্ৰৰ তপস্যা ভংগ কৰিবলৈ মেনকাক প্ৰেৰণ কৰিলে।

বিশ্বামিত্ৰ কোনো সাধাৰণ মনুষ্য নাছিল। তেওঁ আছিল — ৰাজবংশীয়। বিশ্বামিত্ৰই তেওঁৰ তপোবলেৰে ব্ৰাহ্মণত্ব লাভ কৰিছিল। বিশ্বামিত্ৰ আছিল অতি ক্ৰোধী স্বভাৱৰ আৰু জেদী।

বিশ্বামিত্ৰৰ এইবোৰ কথা মেনকা-অপ্সৰাই উত্তমৰূপে জানিছিল। তথাপি, ইন্দ্ৰৰ আদেশ-অনুৰোধ, আৰু বিশ্বামিত্ৰৰ কঠোৰ তপস্যাজাত শক্তিৰ অনিষ্টৰপৰা দেৱলোকক ৰক্ষা কৰিবলৈ—সেই তপস্যা-ভংগৰ বাবে সাজু হৈছিল।

মেনকাই বিশ্বামিত্ৰৰ আশ্ৰম পাই, ক্ষন্তেকমান ভাবি-চিন্তি. পোনে পোনেই বিশ্বামিত্ৰ মুনিক সাষ্টাংগে প্ৰণাম কৰিলে। ধ্যানমগ্ন বিশ্বাত্ৰিই চকু মেলি ক্ৰুদ্ধদৃষ্টিৰে চালে, কিন্তু তাত লাস্যময়ী মেনকাক দেখা পায়েই মোহিত-মুগ্ধ দৃষ্টিৰে আদৰিলে। —প্ৰথম দেখাতে মহামুনিৰ মতিভ্ৰমৰ কথাটো মেনকায়ো উপলব্ধি কৰিলে। মেনকাই নিজক বিশ্বামিত্ৰৰ ওচৰত সমৰ্পণ কৰিলে আৰু পাছত—বিশ্বামিত্ৰৰ ঔৰসত মেনকাৰ গৰ্ভত এটি অতি ৰূপময়ী পুত্ৰীৰ জন্ম হ'ল।

এই ঘটনাৰ কিছুদিনৰ অন্তত মেনকাই সেই সুন্দৰ কন্যা সন্তানটিক মালিনী নৈৰ পাছত এৰি থৈ দেৱলোকলৈ গুচি গ'ল। মালিনী নৈৰ আশে-কাষে আছিল অটব্য অৰণ্য আৰু বিধোবিধ হিংস্ৰ জন্তু-জানোৱাৰ। মেনকাই কন্যা-সন্তানটিক এৰি থৈ যোৱাৰ পাছ মুহূৰ্ত্ততে এটি বিৰাট আকাৰৰ শগুণে তাৰ বিশাল ডেউকাৰে এই পৰিত্যক্ত কন্যাসন্তানটিক ঢাকি ৰাখিলে আৰু ঠিক তেতিয়াই এই নৈত স্নান কৰিবলৈ অহা কণ্ব মুনিয়ে ঘটনাটো দেখা পাই সেই শিশু-সন্তানটিক নিজৰ আশ্ৰমলৈ লৈ আহিল।

শগুণ এটিয়ে পক্ষবিস্তাৰ কৰি শিশুটিক হিংস্ৰ জন্তু-জানোৱাৰবিলাকৰ কবলৰপৰা ৰক্ষা কৰাত — কণ্বমুনিয়ে



শিশুটিৰ নাম দিলে—'শকুন্তলা'। কণ্ব-মুনিয়ে শকুন্তলাক নিজ কন্যা-সম লালি-পালি ডাঙৰ-দীঘল কৰিলে। শকুন্তলাই জানিলে—কণ্বমুনিয়েই তাইৰ পিতৃ।

*

এদিন ৰজা দুষ্যন্ত চিকাৰলৈ ওলাল। গৈ গৈ মালিনী নৈৰ তীৰস্থ—অৰণ্য পালেগৈ। আৰু তাত দুষ্যন্তই দেখা পালে কণ্বমুনিৰ নয়নাভিৰাম আশ্ৰম। লগৰীয়া-হঁতক— সহচাৰহঁতক তদ্ভুত থাকিবলৈ আদেশ প্ৰদান কৰি ৰজা দুষ্যন্ত অকলেই মহামুনি কণ্বৰ আশ্ৰমলৈ গ'ল। তাত তেতিয়া শিষ্য-ছাত্ৰহঁতে একমনে অধ্যয়ন কৰি আছিল, ক'ৰবাত পূজানুষ্ঠান চলি আছিল, শুনা গৈছিল সামগানৰ ধ্বনি।

তেতিয়া মহামুনি কণ্ব আশ্ৰমত নাছিল। গতিকে—শকুন্তলায়েই ৰজা দুষ্যন্তৰ প্ৰতি যথোচিত অতিথ্য প্ৰদৰ্শন কৰি সুধিলে, "হে আগন্তুক! কওক, আপোনাক এই আশ্ৰমত কি লাগে।"

শকুন্তলাৰ অপৰূপ সৌন্দৰ্য্য আৰু অতিথ্যমুগ্ধ ৰজা দুষ্যন্তই ক'লে, "আমি চিকাৰলৈ ওলাই এই ঠাই পাইছোঁহি, ইয়ালৈ আহি মহামুনিক দৰ্শন কৰাৰ অভিলাষ হ'ল। তেওঁ আছেনে আশ্ৰমত?

"পিতাশ্ৰী এতিয়া আশ্ৰমত নাই। আশ্ৰমৰ বাবে আৱশ্যকীয় খাদ্যবস্তু সংগ্ৰহ কৰিবলৈ ওলাইছে। আপুনি অপেক্ষা কৰিব লাগিব।" শকুন্তলাই ক'লে।

ৰজা দুষ্যন্তই ক'লে, "মহামুনি কণ্ব আজীৱন ব্ৰহ্মচাৰী বুলি শুনিছিলোঁ। তেনেহ'লে—তেওঁ তোমাৰ পিতৃ হয়নো কেনেকৈ? তোমাৰ মাতৃ পিতৃ—প্ৰকৃততে ক'ত আছে ক'বানে? ক'বানে—তুমি এই আশ্ৰম পালাহি কেনেকৈ? মই তোমাতে প্ৰেমমুগ্ধ হৈ পৰিছোঁ। মোক তোমাৰ জীৱন-বৃত্তান্ত খুলি-মেলি কোৱাঁ।"

এদিন কণ্বমুনিয়ে আন কাৰোবাক শকুন্তলাৰ জীৱন বৃত্তান্ত কৈ থাকোঁতে

আঁৰত থাকি শকুন্তলাই শুনিছিল। এতিয়া সেই কথাখিনি শকুন্তলাই ৰজা দুষ্যন্তক ক'লে।

"তেনেহ'লে—তুমি কেৱল আশ্ৰম-বালিকা নহয়, তুমি ৰাজকন্যা! তুমি অপৰূপা, তুমি গুণৱতী। কেৱল অৰণ্যৰ ফল-মূল আহাৰ কৰি এই নিজম-নিৰ্জনত জীৱন-যাপন কৰাৰ কোনো আৱশ্যকতা তোমাৰ নাই। তুমি অতি আনন্দৰে মোৰ ৰাজ্যৰ পাটৰাণী হৈ জীৱনৰ উম উপভোগ কৰিব পাৰিবা। —মই তোমাক—মই তোমাক—বিবাহ কৰাম।"

দুষ্যন্তৰ কথা শুনি অধোবদনা শকুন্তলাই ক'লে, "তেনেহ'লে—পিতাশ্ৰী উভতি নহালৈকে আপুনি অপেক্ষা কৰক।"

শকুন্তলাৰপৰা পৰোক্ষ ভাবে বিবহৰ সম্মতি লাভ কৰি দুষ্যন্তই ক'লে, "মই তোমাৰ কাৰণে উদ্বাউল হৈ উঠিছোঁ। গতিকে—মই যিহেতু ক্ষত্ৰিয়, সিহেতুকে—মই তোমাক গান্ধৰ্বমতে এতিয়াই বিবাহ কৰাবলৈ তোমাৰ সম্মতি বিচাৰিছোঁ। গান্ধৰ্বমতে বিবাহৰ কাৰণে—কোনো সাক্ষীৰ অনুমতি বা স্বীকৃতিৰ প্ৰয়োজন নাই, দৰা-কইনায়েই যথেষ্ট।"

শকুন্তলায়ো ৰজা দুষ্যন্তৰ এই প্ৰস্তাৱত সম্মতি দিলে, কিন্তু এটি চৰ্তও আৰোপ কৰিলে। চৰ্তটো আছিল এয়ে যে—তাই যদি পুত্ৰৱতী হয়—সেই পুত্ৰকে ভৱিষ্যতত



সিংহাসনত অধিষ্ঠিত কৰিব লাগিব।

ৰজা দুষ্যন্তই শকুন্তলাৰ এই চৰ্ত মানি ল'লে আৰু গান্ধৰ্বমতে বিয়া কৰাই সেই-ক্ষণতে শকুন্তলাক পত্নীৰূপে গ্ৰহণ কৰিলে।

তাৰ পাছত ৰজা দুষ্যন্তই শকুন্তলাৰপৰা বিদায় ল'হলে মনস্থ কৰি শকুন্তলাক ক'লে, "তোমাক ইয়াৰপৰা লৈ যাবলৈ মানুহ পঠম, সিহঁতৰ লগত লাগি আহিবা।"

মহামুনি কণ্বই এনে গান্ধৰ্ববিবাহৰ বিষয়ত কি ক'ব কি নক'ব—এনেবোৰ কথা ভাবি—দুষ্যন্তই আৰু পলম নকৰাকৈ বিবাহিতা পত্নী শকুন্তলাক আশ্ৰমতে এৰি থৈ আশ্ৰম এৰি গুচি গ'ল।

দুষ্যন্ত গুচি যোৱাৰ অলপ সময়ৰ পাছত মহামুনি কণ্ব উভতি আহিল আৰু শকুন্তলাৰ মুখলৈ চায়েই সকলো কথা অৱগত হ'ল। তেওঁ শকুন্তলাক ক'লে, "পুত্ৰী, তুমি যোগ্য ব্যক্তিকে পতিত্বত বৰণ কৰিলা। আৰু—এই গন্ধৰ্ব বিবাহৰ পৰিণামত তোমাৰ পুত্ৰলাভ হ'ব। কোৱা, তোমাৰ ইচ্ছাৰ কথা মোক নিৰ্ভয়ে কোৱা।"

শকুন্তলাই সৰু সৰুকৈ ক'লে, "মোৰ পুত্ৰ দীৰ্ঘায়ু হওক, মহান ৰজা হওক—এই আশীৰ্বাদ কৰক।"

মহামুনি কণ্বই 'তথাস্তু' বুলি কৈ আশীৰ্বাদ কৰিলে আৰু তেতিয়াহে শকুন্তলাই স্বস্তি লভিলে।

যথাসময়ত—আশ্ৰমতে শকুন্তলাৰ পুত্ৰ উপজিল। মহামুনি কণ্বই সেই পুত্ৰটিৰ কাৰণে যথোচিত শাস্ত্ৰীয় যজ্ঞানুষ্ঠান কৰিলে। শিশু পুত্ৰটি দিনে দিনে চন্দ্ৰকলাৰ দৰে বাঢ়িবলৈ ধৰিলে। বালকটিয়ে—তাৰ ছবছৰ বয়সতে হস্তিৰ পিঠিত, আনকি বাঘৰ পিঠিতো উঠি অৰণ্যত নিৰ্ভীক ভাবে ঘূৰি ফুৰিবলৈ ধৰা দেখি, বাঘ-ভালুকাদি হিংস্ৰ জন্তুৰ লগত নিৰ্ভয়ে খেল-ধেমালি কৰি থকা দেখি আশ্ৰমবাসীয়ে বালকটিক মৰমতে 'সৰ্বদমন' বুলি মাতিছিল।



এইদৰে, বহু বছৰ অতিক্ৰান্ত হোৱাতো যেতিয়া দুষ্যন্তই শকুন্তলাক লৈ যাবলৈ কোনো মানুহ নপঠালে, তেতিয়া এদিন মহামুনি কণ্বই শকুন্তলাক ক'লে, "পুত্ৰী, তোমাৰ পুত্ৰ এতিয়াই সিংহাসনত অধিষ্ঠিত হোৱাৰ উপযুক্ত হৈছে। আৰু—পতি-বিচ্ছিন্ন অৱস্থাত—ইমান দিন অতিবাহিত কৰাটোও বৰ শোভনীয় নহয়। মই তোমাৰ পতিগৃহলৈ যাত্ৰাৰ বন্দৱস্ত কৰিম, তুমি সাজু হোৱাঁ।"

কণ্বৰ শিষ্য কিছুমানে সপুত্ৰ শকুন্তলাক ৰজা দুষ্যন্তৰ ৰাজধানীলৈ লৈ গ'ল। তাৰ পাছত, দুষ্যন্তৰ প্ৰাসাদ তথা ৰাজসভাৰ সমীপলৈ যোৱাৰ পাছত শকুন্তলাই কণ্বৰ শিষ্যকেইজনক বিদায় দিলে।

তাৰ পাছত সপুত্ৰ শকুন্তলা ৰজা দুষ্যন্তৰ কাষ চাপিল আৰু আত্মপৰিচয়ৰ লগতে পুত্ৰ-পৰিচয়ও প্ৰদান কৰিলে। কিন্তু দুষ্যন্তই শকুন্তলাক চিনি নাপালে।

বিস্মিতা-বিমূঢ়া দুখুনী শকুন্তলাই ৰজা দুষ্যন্তক ক'লে, "ৰাজন্! আপুনি এবাৰ চিকাৰলৈ ওলাই মালিনী নৈৰ তীৰস্থ মহামুনি কণ্বৰ আশ্ৰমলৈ যোৱাৰ কথা আৰু তাত এজনী দুঃখিনী ছোৱালীক গান্ধৰ্বমতে বিবাহ কৰাৰ কথা—সমূলি বিস্মৃত হ'লনে? সেই দুঃখিনৰ্ব পুত্ৰক আপুনি সিংহাসনত অধিষ্ঠিত কৰিব বুলি যে অংগীকাৰ কৰিছিল—মনত নপৰিছেনে নিজৰ বচন যদি নিজেই ভংগ কৰে—ক'বলাগীয়া একো নাই। আপুনি দয়া কৰি পত্নী-পুত্ৰক স্বীকৃতি দিয়ক।"

ঠিক তেতিয়াই দৈৱবাণী হ'ল: হে ৰজা দুষ্যন্ত! এই পুত্ৰ তোমাৰ, পত্নীও তোমাৰ। এই বালকক আৰু নাৰী-গৰাকীকো গ্ৰহণ কৰাঁ। এই বালকটিয়েই আগলৈ ভৰত নামেৰে ভুৱনবিদিত হ'ব!"

দুষ্যন্তই তেওঁৰ সেই তৎক্ষণাৎ পত্নী-পুত্ৰ দুয়োকো আদৰি ললৈ। [আগলৈ

সম্পদো আপদ

সৰলা আৰু তৰলা আছিল বাই-ভনী। বয়সৰ পাৰ্থক্য বৰ বেছি নহয়। সেইহে —দুয়োৰো মাজত সখিয়েক সখিয়েক ভাব। সৰলাৰ নাম আৰু কাম একেই। তৰলা তৰল মনৰ—মানে — পাতল বা চঞ্চল মনৰ তো হয়েই—অহংকাৰীও হয়।

দুজনীৰ মাজত দেখাত—তৰলাই ধুনীয়া. তাৰ বিয়াও হ'ল এজন ধুনীয়া মানুহৰ লগত। সৰলা দেখাত—ধুনীয়া সিমান নহয়—যদিও অগঢ়ী বুলিও ক'ব নোৱাৰি। তাইৰ বিয়া হৈছিল এজন ৰাজকৰ্মচাৰীৰ লগত, কিন্তু দেখাত বৰ ভাল নাছিল তেওঁ। তৰলাৰ গিৰিয়েক আছিল ডাঙৰ বেপাৰী।

সৰলাৰ ঘৰটো অতি সৰু, ঘৰত কোনো দামী আচবাবো নাই, বা ঘৰত চাকৰ-নাকৰ বোলাও—একো নাই। তৰলাৰ তুলনাত সৰলাৰ অৱস্থা নিচেই দুখলগাবিধৰ। যদিও এই কথাত সৰলাৰ বা তাইৰ গিৰিয়েক সুন্দৰলালৰ কোনো আক্ষেপো নাই।

সৰলাৰ গিৰিয়েক ভাগৱত পাঠ কৰে। তেওঁৰ ভাগৱত পাঠ শুনিবলৈ দহো গাঁৱৰপৰা ৰাইজ ঢপলিয়াই আহে। ৰাইজ সুন্দৰলালৰ ভাগৱত-পাঠ তথা তেওঁৰ সৰলতাৰ প্ৰশংসাত পঞ্চমুখ। আৰু এই প্ৰশংসতে সৰলাৰো যে সুখ!

তৰলাই এইবোৰ শুনে। শুনি শুনি ঈৰ্ষাৰে ডেই-পুৰি মৰে। ভাবে: মোৰ ইমান ধন ঐশ্বৰ্য্য আছে—ধনত শিতান দি আছোঁ মই—মোতোকৈ সুখী হ'ব পাৰেনে বাইদেউ!

তৰলাই তাইৰ গিৰিয়েকক লগত লৈ এদিন তাইৰ বায়েকৰ ঘৰ পালেগৈ।

সুমিত্ৰা মহন্ত

সিহঁতহাল যেতিয়া পাইছিলগৈ, তেতিয়া সৰলাৰ গিৰিয়েক সুন্দৰলালে ভাগৱত পাঠ কৰি শুনাই আছিল। তেওঁ ভাগৱতৰ শ্লোকৰ অৰ্থও ব্যাখ্যা কৰি বুজাই কৈছিল। কিন্তু তৰলাৰ গিৰিয়েকে এইবোৰৰ নতুন নতুন ব্যাখ্যা উলিয়ালে। তাত উপস্থিত শ্ৰোতাসকলে ক'লে, "হেৰি ডাঙৰীয়া, আপুনিও ইয়াত ভাগৱত—পাঠ কৰেনে?"

তৰলাৰ গিৰিয়েক তাৰিণীয়ে ক'লে, "ভাগৱত পাঠ কৰাৰ মোৰো ইচ্ছা বৰ। কিন্তু মোৰ সময় নাই! কিয়নো—আনক বেহা-বেপাৰৰ দিহা দিওঁতেই মোৰ দিন যায় ৰাতিয়ে নাটে। মোৰ দিহাৰে কতই লাখ লাখ মুদ্ৰা আৰ্জে! গতিকে—মই তাৰিণীয়ে লোকক তাৰিমনো কেতিয়া?"

শ্ৰোতা ৰাইজে তাৰিণীক তাৰিফ কৰিলে। সুন্দৰলালেও তাৰিণীৰ কথাৰ শলাগ ল'লে আৰু ক'লে যে—যিজনে কোনো কাম-বন নকৰে—সেইজনেহে ভাগৱত পঢ়ে।

সৰলাৰ ঘৰত এটি প্ৰাচীন মূৰ্তি আছিল। এদিন বাৰীত গাঁত এটা খান্দোতে এই মূৰ্তি ওলাইছিল। বহুতে এই মূৰ্তি কিনিবও খুজিছিল, কিন্তু সৰলাই দিয়া নাছিল। এই দেৱীমূৰ্তি চাবলৈকো অ'ৰ ত'ৰপৰা দলে দলে মানুহ পেলিয়াই আহিছিল। তৰলাই লক্ষ্য কৰিলে যে—এই মূৰ্তিৰ কথাত সৰলাৰ গৰ্ব আছে।

যি কি নহক—তৰলা তাত চাৰিটা দিন থাকিল। তাই পাছত ভাবি থাকিল: এদিন বাইদেউক আৰু তাইৰ সেই ভোটোঙা গিৰিয়েৰটোকো আমাৰ তালৈ লৈ যাম, আৰু চকুত আঙুলি ভৰাই দেখুৱাম—মোৰ অৱস্থা কিমান ভাল।

পাছদিনা, তৰলাই বিদায় লোৱাৰ পৰত বায়েক সৰলাই ক'লে, "ভনীটি, তোক কিলাগে ক', কিবা এটা ল'।"

"কি ল'ম ক'চোন বাইদেউ—?"

তৰলাই সৰলাকে ঘূৰাই সুধিলে আৰু

তাৰ পাছত পুনৰ ক'লে, "দিবিয়েই যদি —ষি-খুজিম দিবিনে?"

"দিম বাৰু।" সৰলাই ক'লে।

"তেনেহ'লে—মূৰ্তিটো মোক লাগে।" তৰলাই ক'লে।

আৰু সৰলাই তাইক তেতিয়াই মূৰ্তিটো দিলে।

পাছত তাৰিণীয়ে তৰলাক ক'লে, "তুমি যে মূৰ্তি টো আনিলা—তাৰেও দেখোন তোমাৰ বাইদেউৰাৰহে মহত্ব বাঢ়িল।"

তৰলাই ক'লে, "কিন্তু এই মূৰ্তি আৰু দ্বিতীয়টো নাই যে—এয়ে মোৰ গৌৰৱ। ইমান দিন এই গৌৰৱ বাইদেউৰ আছিল, এতিয়া মোৰ।"

কিছুদিনৰ অন্তত সৰলা আৰু সুন্দৰলালকো তৰলাই সিহঁতৰ ঘৰলৈ আহিবলৈ নিমন্ত্ৰণ কৰিলে। তৰলাৰ কথা হ'লঃ বাইদেউ আহক, সুখ কাক বোলে চাওক।

আৰু হ'লও সেয়ে। ভনীয়েৰ সা-সম্পদ চাই সৰলাই ভালেই পালে, সুন্দৰলালেও বেয়া নাপালে। সিহঁতহালৰ আৰাম-বিৰামৰ আ য়ো জ ন —এইকণ হেনো প্ৰয়োজন।

সৰলাই সেইদিনাই যাবগৈ। ওলাবৰ সময়ত এজন বেপাৰী আহিল। মণি-মুকুতাৰ বেপাৰী। বেপাৰীয়ে তৰলাক ক'লে, "মোৰ ওচৰত দুটা অতি মূল্যৱান মণি আছে। প্ৰতিটো পাঁচহেজাৰ মুদ্ৰা দামৰ। এটা আপুনি ল'ক, আনটো—দেশৰ ৰজাক বেচিম।"

তৰলাই ক'লে, "মই দুয়োটা কিনি ল'ম—তেহে ল'ম"

গিৰিয়েক তাৰিণীয়ে ক'লে, "দুটাৰে কি কৰিবা! এটা ডিঙিত এধাৰ হাৰত এটাহে মণি ওলমিব—?"

তৰলাই ক'লে, "কিন্তু এই মণি আন কোনোবাজনীৰ ডিঙিত ওলমিব—মই নসহোঁ। গতিকে—এই মণি দুয়োটাকে —দাম যি হওক— ময়েই ল'ম।"

'ল'ম' মানে—ল'লেই। আৰু লৈয়েই ভাবিলে: এতিয়া—মণিও মোৰ আৰু মূৰ্তিও মোৰ। গতিকে—মই সকলো ফালৰেপৰাই মোৰ বাইদেউতকৈ বৰ'।

*

বছৰ বাগৰিল। এতিয়া তৰলা গাদহীজনী হ'ল। হঠাৎ যে কেনেকৈ ইমান মোটা-ভোটা শবক-আৱত হৈ গ'ল—ক'বকে নোৱাৰে তাই। এতিয়া আঁৰত তাইক বহুতেই 'ধুমুৰী বাইদেউ' বুলি কয়।

অৱশ্যে — আগৰদৰে হালিজালি-পখিলীজনী হ'বলৈ বেজালিও কৰোৱা হৈছে। বেজে টিপি-টাপি ভালকৈ পৰীক্ষাৰ অন্তত কৈছে—সদায় পৰিশ্ৰম কৰিব লাগিব, কোৰ-কোদালেৰে মাটি খান্দিব পাৰিলে ভাল, ব্যায়াম কৰিব লাগিব, আৰু 'কম খোৱা-বেছি কাম, দেহ ভাল তাৰেই নাম'—এই কথাষাৰ নিশ্চয় মানি চলিব লাগিব।

শুনি তাই দমি গ'ল। বেজো গুচিল, তায়ো পালেঙত দীঘল দি পৰিল। তাই ভাবিলে: তাতকৈ মই মোটাৰো মোটা ভোটাৰো ভোটা হৈ জীৱন কটাম—তথাপি 'কম খাম-বেছি কাম'—কেতিয়াও এইবোৰৰ কাষলৈ নাযাম। লাহে-ধীৰে অৱস্থাই ইমানদূৰ পালে যে—তাই পাটীয়েই ল'লে।

ভনীয়েকৰ বেমাৰৰ খবৰ পাই বায়েক সৰলা আহিল তাইক চাবলৈ। আৰু বায়েকলৈ চায়েই ভনীয়েকৰ মন গ'ল গীত গাবলৈ! কিয়নো—বায়েক সৰলাও দেখোন ভালেখিনিমানেই শকত-আৱত আহল-বহল হ'ল!

তৰলাই বায়েক সৰলাক সুধিলে, "কথানো কি? ইমান শকত হ'লিনো কেনেকৈ?" তাইৰ কথাত আনন্দ সৰি সৰি পৰিছিল।

তাইৰ সোধাৰ ধা-ধৰণত সৰলাই

কিঞ্চিত বেয়া পালে। কিন্তু মনৰ বেয়া ভাব মনতে ৰাখিলে তাই ।

সুন্দৰলালে একাষৰীয়াকৈ মাতি নি সৰলাক ক'লে, "বেয়া নাপাবা, কথা এটা কওঁ। তুমি—কিছু খীণ-মিন হ'বলৈ চেষ্টা কৰাচোন—?"

"নালাগে মোক সৌন্দৰ্য্য। খীণ-মিন হ'বলৈ হ'ল প্ৰকৃতিৰ বিৰুদ্ধে যুঁজ দিব লাগিব।" লাজ লাজকৈ সৰলাই সুন্দৰলালক ক'লে, "তোমাৰ কাৰণে মই এতিয়াও খীণ-মিন হৈ থাকিব লাগিবনে ?"

"মোৰ কাৰণে নহয়, তোমাৰ ভনীয়েৰাৰ মানে আমাৰ—তৰলাৰ কাৰণেহে কৈছোঁ।" সুন্দৰলালে ক'লে ।

কিন্তু সৰলাই ঠাৰৰ কৰিব নোৱাৰিলে সুন্দৰলালৰ কথাৰ তাৎপৰ্য্য। সৰলাৰ বিভ্ৰান্তিৰ উমান লৈ সুন্দৰলালে ক'লে, শুনা, শকত হোৱাটো—দৰাচলতে-বেমাৰ ঠিক নহয় — তৰলাজনীৰ এই বেমাৰ আচলতে তাইৰ মনৰ বেমাৰ হৈ উঠিছে। তাইক তাইৰ মনৰ বেমাৰেহে খুলি খাইছে, আৰু সেইহে তাই প্ৰায় পক্ষাঘাতগ্ৰস্তৰ দৰে হৈছে, পাটী লৈছে। তাইৰ ক্ষেত্ৰত সম্পদেই আপদ হৈ বিপদক মাতি আনিছে। এতিয়া—তুমি যদি তাইৰ চকুৰ আগত শ্ৰম কৰি খীণ-মিন হ'ব পাৰা, তেনেহ'লে তায়ো তাকে কৰিব—তোমাৰ প্ৰতি তাইৰ ঈৰ্ষাৰ কাৰণে। ঈৰ্ষা সদায় বেয়া নহয়, কেতিয়াবা ঈৰ্ষাই গুণো দিয়ে।"

তেতিয়া সৰলাই সুন্দৰলালৰ কথাৰ মৰ্ম উপলব্ধি কৰিলে আৰু নিজেই খীণোৱাৰ কিটিপ আচৰি ভনীয়েককো সেই কিটিপ শিকালে।

চাওঁতে চাওঁতে সুফল ফলিল, দুয়োৰো মন দুয়োতে মিলিল।

পাছত—তৰলাই উপলব্ধি কৰিছিল যে—কেতিয়াবা— সম্পদো আপদ হয়।



সমবাদৰ চমক



তিনিহেজাৰ বছৰৰ আগৰ মৃতদেহ!

লাখ-বিলাখ বছৰৰ আগৰ মৃতদেহৰ কথা আমি বাতৰিকাকতত মাজে-মধ্যে পঢ়োঁ। কিন্তু সম্প্ৰতে ইৰানদেশত এক খনিত যিটি অবিকৃত মৃতদেহ পোৱা গৈছে, তাৰ বয়স মাত্ৰ ৩০০০ বছৰহে! এই মৃতদেহৰ চকু নাক কাণ আনকি দাড়ি-গোঁফও একেবাৰে অবিকৃত হৈ আছে! এই মৃতদেহৰ বেশভূষাই মৃতক সেই প্ৰাচীন দেশ বেবিলোনীয়াৰ বা আৰমেনিয়াৰও হ'ব পাৰে বুলি প্ৰমাণ দাঙি ধৰিছে। মৃতদেহটোৰ কাষত থকা বাচন-বৰ্তনখিনি খৃষ্টপূৰ্ব ১০০০ বছৰৰ আগৰ!

ৰাখে হৰি মাৰে কোনে!

ইংল্যাণ্ডৰ কোলচেস্টাৰ নগৰখনৰ ওপৰেদি এখন জেট বিমান গৈ আছিল। কিন্তু বিমানখনে হঠাৎ আকাশত চিং-ভোলোঙা খালে আৰু চালকৰ কাষত বহি থকা চালকৰ নিজৰ ভায়েকক চালকে বিমানৰ বাহিৰলৈ ঠেলি পেলালে। আনকি প্যাৰাচুট ল'বলৈকো নহ'ল। মানুহজন ৩০০০ ফুট (৯১৫ মিটাৰ) তললৈ পৰিল। ঘাইল হ'ল—কিন্তু তথাপি ৰক্ষা পৰিল!

বুদ্ধ বিশালা!

সম্প্ৰতে হংকঙৰ ওচৰত লাণ্টোৰ নামৰ দ্বীপত ৩৫ মিটাৰ ওখ এটি কাঁহ-নিৰ্মিত বিশাল বুদ্ধমূৰ্তি প্ৰতিষ্ঠিত হ'ল। এই প্ৰতিষ্ঠা-উৎসৱত ৫০,০০০ বৌদ্ধ ভক্ত সমবেত হৈছিল। গাভাৰ্নাৰ ক্ৰিছ পাটন মহোদয়ে এই মূৰ্তি প্ৰতিষ্ঠা কৰিলে।

বাস্তৱ জ্ঞান

বহু পুৰণি দিনৰ কথা। বিন্ধ্যাৰণ্যৰ সমীপত, এটা গুহাত এগৰাকী মুনি তপস্যামগ্ন হৈ আছিল।

শাস্ত্ৰ-জ্ঞানৰ ওপৰত মুনিৰ অটুট-অভগন বিশ্বাস আছিল। তেওঁ বিশ্বাস কৰিছিল যে—শাস্ত্ৰজ্ঞানৰ অভাৱেই হ'ল মানুহৰ কুলাই-পাচিয়ে নধৰা দুখৰ অন্যতম হেতু। এই অজ্ঞানতা গুচাবলৈহে তেওঁ মানুহক উপদেশ প্ৰদান কৰিছিল।

কিন্তু বাস্তৱ অৱস্থাই অন্য-কথা কৈছিল। এজন গাঁৱলীয়াই এদিন মুনিক কৈছিল, "মই ইমান হাড়ভঙা শ্ৰমেৰে খেতি-বাতি কৰোঁ— কিন্তু জমিদাৰে লুট কৰি লৈ যায়। কোনোবাই শ্ৰম কৰে কোনোবাই খায়—ক'কচুন—কিমান অনিয়ায়?"

এগৰাকী তিৰোতাই এদিন মুনিক ক'লে, "ধৰ্মশাস্ত্ৰই কয়—পতি হ'ল পৰম-গুৰু। মানিছোঁ, পতি পৰমগুৰু। পতিৰ পূজা মই সতীয়েও নকৰা নহয়। তেওঁৰ কামত মই সাধ্যমতে সহায় কৰোঁ, তেওঁৰ সেৱা-যত্নৰ তো কথাই নাই। কিন্তু—পতিয়ে কি কৰে? পতিয়ে মন গ'লেই পত্নীক—মানে মোক—মাৰি ভৈয়াম কৰে, আনকি নিজৰ ল'ৰা-ছোৱালীহঁতৰ পিঠিতো বাবৰি ফুল বাছে। যদি সঁচা কথা ক'ব লাগে—মোৰ জীৱন মোৰেই পতিয়ে নৰকহেন কৰি তুলিছে। এতিয়া কওক—এয়েনে ধৰম? এয়েনে বচনৰ ফল?" গৰু-পিটন ধৰমনে?"

এনেবোৰ অন্যায়ৰ নানান কথা শুনি মুনিৰো মতিভ্ৰম হ'ল। তেওঁ ভাবি থাকিল: মই অধ্যয়ন কৰা ধৰ্মশাস্ত্ৰই

'পঁচিছ বছৰৰ আগতে চান্দমামাত প্ৰকাশিত কাহিনী'



দেখোন একেবাৰে বেলেগ কথা কয়। শাস্ত্ৰ আৰু বাস্তৱত দেখোন মিলেই নাই। দিনে দিনে ধৰ্মৰ অধোগতি যে হৈছে—সন্দেহ নাই। ভগৱান, ভূত, স্বৰ্গ, নৰক ইত্যাদি সকলো মিছা কথাৰ ভঁৰাল যেন লাগিছে। গতিকে—গুহা এৰি 'বহা' লৈ বসৱাস কৰিলেহে কিজানি বাস্তৱ অৱস্থাৰ পাৰ্থক্যৰ বুজবাজ ল'ব পাৰিম। —এই বুলি ভাবি গাঁৱলৈ আহি বহা ল'লে।

কিছুদিনৰ পাছত এদিন কমণ্ডলু হাতত লৈ মুনি ক'ৰবালৈ গৈ থাকোঁতে বাটত এটি বালকৰ সৈতে সাক্ষাৎ হ'ল, বালকে মুনিক কুশল-বাৰ্তা সুধিলে। তাৰ পাছত দুয়ো একেলগেই খোজ ল'লে।

গৈ গৈ দুয়ো এখন গাঁও পালেগৈ। গাঁৱৰ ৰাইজে মুনিক আৰু সেই বালককো আদৰি ল'লে আৰু গাঁৱৰ অন্যতম ধনিক ধানুৰামৰ ঘৰলৈ নি দুয়োকো থৈ দিলে।

ধনিক ধানুৰামে দুয়োকো আদৰ-সাদৰ কৰি খুৱালে-বুৱালে, আৰু চন্দুকৰপৰা সোণৰ পাত্ৰ এটি উলিয়াই আনি সেই সোণৰ পাত্ৰত বালকটিক পায়স-পৰমান্ন খাবলৈ দিলে।

পাছদিনা ধলপুৱা দুয়ো বিদায় লৈ পুনৰ ওলাল। কিন্তু মুনি আৰু বালকে ঘৰৰ বাজ হোৱাৰ লগে লগেই ঘৰটোত কিবা কথাত হৈ চৈ লাগি পৰিল। বুজা গ'ল যে—বালকক পৰমান্ন খাবলৈ দিয়া সেই সোণৰ পাত্ৰটো সেই বালকটিয়ে চুৰি কৰিছিল। আহাৰ কৰি থাকোঁতেই—আনে নেদেখাকৈ যে বালকটিয়েই সোণৰ পাত্ৰটো তাৰ কঁকালত লুকুৱাই থৈছিল—স্বয়ং মুনিয়ে ঘটনাটো দেখিছিল। বালকটিৰ এনে নিকৃষ্ট আচৰণত মুনিয়ে দুখ পাইছিল, কিন্তু তেওঁৰ লগত যোৱাহেতুকে—লোকৰ মাজত তেতিয়াই একো ক'ব নোৱাৰিছিল তেওঁ।

এনেতে বৰষুণ দি থাকিল। দুয়ো তিতিল। তেতিয়া সাঁজ লাগি আহিছিল।

কিছুদূৰত চাকিৰ পোহৰ দেখা পাই দুয়ো তালৈ গ'ল আৰু ৰাতিৰটোৰ কাৰণে তাত আশ্ৰয় বিচৰা হ'ল। মুনিয়ে চিঞৰি ক'লে, "আশ্ৰয় দিয়ক, পুণ্য হ'ব—"হে গৃহস্থ।" ঘৰ খুলি ওলাই আহিল মানুহ এজন। মানুহজন এই ঘৰৰ ভৃত্য। ভৃত্যজনে দুয়োকো গৃহস্থৰ ওচৰলৈ গ'ল।

গৃহস্থই মুনিক ক'লে, "এনে ধুমাৰ্জয় ধুমুহাৰ ৰাতিতে হে নে মোক পুণ্য আৰ্জিবলৈ কৈছা? হেঁ:—?"

গৃহস্থই বুঢ়া ভৃত্যক গালি পাৰিলে। তাৰ পাছত এই কৃপণ-কট্‌কিণা গৃহস্থই ভৃত্যক ক'লে, "এমুঠি-আধামুঠি ভাত আছে যদি ইহঁতক দেগৈ যা। কিন্তু—বৰষুণ এৰামাত্ৰেই ইহঁতক ঘৰৰপৰা উলিয়াই দিবি। এতিয়া হ'ল—বিপৰীত কাল—কাকো বিশ্বাস নকৰাই ভাল।"

আন একোৱেই নাছিল। গতিকে—শুদা ভাত হে অলপ পালে।

চৰুত ভাত আছিল। দুয়ো নিমখ সানি তাকে খালে। আৰু তাৰ পাছত—বৰষুণ যেতিয়া 'ৰ'ল, দুয়ো পুনৰ ওলাল।

খোজ লোৱাৰ আগতে বালকটিয়ে বুঢ়া ভৃত্যক ক'লে, "তোমালৈ আমাৰ অশেষ ধন্যবাদ। তুমি আমাৰ ভোক-ভাগৰ গুচালা। তোমাৰ কথা আমি সদায় সুঁৱৰিম।"

এই বুলি কোৱাৰ অন্তত বালকটিয়ে



তাৰ কঁকালত থকা সেই সোণৰ পাত্ৰটো উলিয়াই ভৃত্যাৰ হাতত গটাই দি ক'লে, "এই পাত্ৰটো তোমাৰ মালিকক দিবা।"

বাটত মুনিয়ে ক্ৰুদ্ধ আৰু বিৰক্ত দৃষ্টিৰে বালকলৈ চোৱাত বালকে মিঠাকৈ হাঁহিৰে ক'লে, "মুনিবৰ, এইবোৰ সকলো কথা-কাণ্ড টোটক-নাটক যেন লাগিছে, নহয়নে? হয়, নাটকেই। আৰু—আমি দুয়োজনেই সেই নাটকৰ ভাৱৰীয়া।"

"মই ভাবিছিলোঁ—তুমি এটি সৎ বালক, তোমাৰ সাহচৰ্য্যৰে মোৰ মনৰ সৰ্বসন্দেহ বিদূৰিত হ'ব।" মুনিয়ে ভোৰভোৰাই ক'লে।

বালকে ক'লে, "আপোনাৰ মনৰ সন্দেহ গুচাবলৈহে মই আহিছোঁ। আমাক আদৰ-সাদৰ কৰি আতিথ্য প্ৰদৰ্শন কৰা সেই ধনিক আছিল খ্যাতি-লোভী আৰু থিয়ই থিয়ই স্বৰ্গলৈ যাব পৰা পুণ্য-লোভী। কিন্তু ইমান পুণ্য কৰিও যেতিয়া সোণৰ পাত্ৰ চুৰি হ'ল তাৰ—তাৰেই হ'ল তাৰ জ্ঞানোদয়!"

"ভাল বাৰু। পিছে—এই কিপিণৰো কিৰ্পিণটোক কিয় দিলা সোণৰ পাত্ৰটো?" মুনিয়ে বালকক সুধিলে।

"সোণৰ পাত্ৰটো পাই সি কৃপণে ভাবিব—সামান্য দুমুঠি লোণ-ভাতেৰেই যদি সোণৰ পাত্ৰ পালোঁ—তেনেহ'লে—প্ৰকৃত সেৱা-যত্নেৰে কিমান যে কি অমূল্য বস্তু পাম তাৰ লেখ-জোখেই নাই!—এই বাস্তৱ জ্ঞানেৰে জ্ঞানী হৈ সি কৃপণেই এদিন মানৱৰ আপোন হ'ব পাৰে।"

বালকটিয়ে এই কথা কোৱাৰ লগে লগেই প্ৰাজ্ঞ মুনিয়ে কৈ উঠিল, "মোৰ সকলো সন্দেহ গুচিল, মই ধন্য—ধন্য!" এই বুলি কৈ মুনিয়ে ঘূৰি চালে, কিন্তু সেই বালকক তাত আৰু বিচাৰি নাপালে।

পৰম সন্তৃপ্ত মনেৰে মুনি পুনৰ তেওঁৰ গুহাশ্ৰমলৈ বুলি খোজ ল'লে।

প্ৰকৃতিৰ বৈচিত্ৰ্য

ৰঙতে-আপদ-ৰঙতে নিৰাপদ!

মূৰত কদমফুলীয়া পাখি, দেহত গাঢ় বৰণৰ ডেউকা, এয়া হ'ল মাছৰোকাৰ বিশেষত্ব। এনেহেন গাঢ় চৰাই আন কিছুমানো আছে—যিবোৰ চৰাইক 'চৰাই-খোৰা' জন্তুবিলাকে পালেও ধৰি নাখায়—কিয়নো—সেই 'পক্ষী-ভোজী' জন্তুবিলাকৰ ধাৰণা, গাঢ় বৰণৰ চৰাইবোৰত বেয়া গোন্ধায় গতিকে খাব নাপায়। কথাটো সঁচাও হয়। বৰণ গাঢ় হ'লে গাতো বেয়া গোন্ধায়। এইবোৰ গাঢ় বৰণীয়া চৰায়ে সিহঁতৰ বাহঁবোৰো চাফা তাফা একেবাৰে নকৰা হয়—সিহঁতৰ নিৰাপত্তাৰ কাৰণেই!

পেৰুৰ ঠেক!

১৭ শতিকাত ইংল্যাণ্ডত আলুগুটিৰ খেতি নিষিদ্ধ কৰা হৈছিল। দাক্ষিণ আমেৰিকাস্থ অন্যতম দেশ পেৰুৰপৰা ইংৰাজ অভিযানকাৰী স্যাৰ ওৱাল্টাৰ ৰেলিয়ে ১৬ শতিকাত এই আলুগুটি ইংল্যাণ্ডলৈ লৈ আহিছিল। কেইবছৰমানৰ পাছত ইংল্যাণ্ডত আকালে মূৰ দাঙিলে আৰু তেতিয়া একমাত্ৰ আলুগুটি বাদে খাদ্য বোলা আন একোৱেই নাছিল। কিন্তু তথাপি ইংৰাজসকলৰ মাজত এই দৃঢ় বিশ্বাসে শিপালে যে—এই আলুগুটিৰ কাৰণেই আকাল হ'ল। তাৰ পাছত প্ৰায় এশতিকা পাৰ হ'ল। তেতিয়া আলু-খেতি বন্ধ। এবাৰ এগৰাকী ইংৰাজ কৰ্নেলে বাভাৰিয়ালৈ গৈ তাৰ সৈন্যইতে আৰু বন্দুৰাইতেও প্ৰধান খাদ্য হিচাপে আলুগুটি খাই থকা দেখা পালে আৰু তেওঁৰ প্ৰচেষ্টাৰেহে ঠেকুছিগা ইংল্যাণ্ডত পুনৰ আলুগুটি খেতিৰ প্ৰচলন হ'ল। ১৮২০ চনত দক্ষিণ ভাৰতৰ নীলগিৰি পাহাৰত আলুগুটি-খেতিৰ প্ৰৱৰ্তন হৈছিল।

পাতৰ পোতা-কথা!

'কলথাম্ৱাই'—মানে এবিধ ফুল। আক্ষৰিক ভাবে ক'ব পাৰি—'পাথৰ-পদুম'। তামিল সাধু মহাত্মাগণে এই ফুলক 'মহামুলিগাই' বা 'মহামূলিকা' বুলি আদৰিছিল। ফুলপুলিৰ পাতৰ ৰসে দেহৰ শক্তিবৃদ্ধি কৰাৰ উপৰিও পাত কিছুমান পাৰি মাটিৰ ওপৰত থিয় হৈ আকাশলৈ চাই পঠালে দিনে-পোহৰেও আকাশৰ তৰাবোৰক মনিব পাৰিছিল বুলি কোৱা হৈছে। অৰ্থাৎ—এই ফুলৰ পাতৰ ৰসে দৃষ্টিশক্তি বৃদ্ধি কৰে। কোৱা হৈছে, এই ফুলৰ পাতেৰে স্পৰ্শ কৰি তাম-কাঁহ আদিক সোণলৈ পৰিৱৰ্তিত কৰি তামা-কাঁহা দেখুৱাব পৰা হৈছিল।




Say "Hello" to text books and friends
'Cause School days are here again
Have a great year and all the best
From Wobbit, Coon and the rest!



SUPER
RUBBER
It's time to go back to school again. Time for text
books. Time for games. Time to meet old friends.
And make new ones. Time to start studying
again. Because there's so much to learn about
the world around you.
From all of us here at Chandamama, have a
great year in school. And remember to tell us
what you've learnt everyday, when you
come home from school !
THE
HANDAMAMA
OLLECTION
ARTIG1246

ফটো-নামকৰণ প্ৰতিযোগিতা :: পুৰস্কাৰ ১০০ টকা

পুৰস্কৃত নাম ১৯৯৪ চনৰ ডিচেম্বৰৰ সংখ্যাত প্ৰকাশিত হ'ব।

S.B. PRASAD

K. MADHU

* ফটো-নামকৰণ দুই-তিনিটা শব্দৰ ভিতৰত হ'ব লাগিব আৰু শব্দকেইটাৰ মাজত ছন্দগত মিল থাকিব লাগিব। ১৯৯৪ চনৰ অকট'বৰ মাহৰ ২০ তাৰিখৰ ভিতৰত আমাৰ হাতত পোৱাকৈ পঠাব লাগিব। উক্ত তাৰিখৰ পাছত অহা চিঠি গ্ৰহণযোগ্য নহ'ব।
* সৰ্বশ্ৰেষ্ঠ নামকৰণকাৰীক (দুটা নামকৰণ বাবে) সৰ্বমুঠ ১০০ টকা পুৰস্কাৰ দিয়া হ'ব।
* ফটো-নামকৰণ কেৱল প'ষ্টকাৰ্ডত লিখি তলৰ ঠিকনালৈ পঠাব লাগিব :

ঠিকনা : CHANDAMAMA PHOTO CAPTION COMPETETION, (ASSAMESE)

CHANDAMAMA BUILDINGS, VADAPALANI, MADRAS—600 026

১৯৯৪ চনৰ অগাস্ট মাহৰ ফটো-নামকৰণ প্ৰতিযোগিতাৰ ফলাফল :

প্ৰথম ফটো : আত্মশক্তি পাব লাগি ধ্যানত-বহিলা।

দ্বিতীয় ফটো : অশুভক জিনিবাক অস্ত্ৰ হাতে লৈলা ॥

শ্ৰীমাধৱ দাস, মহাপুৰুষ শ্ৰীশ্ৰীঅনিৰুদ্ধদেৱ গাঁও উন্নয়ন সমিতি, বৰআলি, নিমাতী ঘাট. যোৰহাট-৭৮৫১১১

[পুৰস্কাৰৰ ১০০ টকা এই মাহৰ শেষৰ ফালে পঠোৱা হ'ব]

ভাৰতত বছৰেকীয়া বৰঙনি **চান্দমামা** ৪৮.০০ টকা মাথোন

বৰঙনিৰ ধন তলৰ ঠিকনালৈ পঠাব লাগিব :

Dolton Agencies, Chandamama Buildings, Vadapalani, Madras-600 026

Printed by B.V. REDDI at Prasad Process Private Ltd., 188 N.S.K. Salai, Madras 600 026 (India) and Published by B. VISWANATHA REDDI on behalf of CHANDAMAMA PUBLICATIONS, Chandamama Buildings, Vadapalani, Madras 600 026 (India). Controlling Editor: NAGI REDDI.

The stories, articles and designs contained herein are the exclusive property of the Publishers and copying or adapting them in any manner will be dealt with according to law.

মৰমৰ এই মিঠা উপহাৰ দিয়েনে কি ভাবি চাওক
প্ৰবাসুৱা হৈ থকা আপোনাৰ চেনেহৰজনে পাওক

চান্দমামা

তেওঁ ভালপোৱা চান্দমামাখন তলত লিখা যিকোনো এটি ভাষাৰপৰা বাছি লওক ঃ
অসমীয়া, হিন্দী, গুজৰাটী, বাংলা, ইংৰাজি, কন্নড়, মালয়ালম্,
মৰাঠি, ওড়িয়া সংস্কৃত, তামিল আৰু তেলুগু
আৰু প্ৰবাসত থাকিও তেওঁক উমাল গৃহসুখৰ উম উপভোগ কৰিবলৈ দিয়ক।

বছৰেকীয়া বৰঙনি

অস্ট্ৰেলিয়া, জাপান, মালয়েছিয়া আৰু শ্ৰীলংকালৈ	
জাহাজ-যোগে 105.00	উৰাজাহাজ-যোগে 252.00
ফ্ৰান্স, ছিংগাপুৰ, ইংল্যাণ্ড, আমেৰিকা, পশ্চিম জাৰ্মানি আৰু অন্যান্য দেশলৈ	
জাহাজ-যোগে 111.00	উৰাজাহাজ-যোগে 252.00

আপোনাৰ বৰঙণি কেৱল ডিমাণ্ড ড্ৰাফ্‌ট্ নাইবা মনি-অৰ্ডাৰ যোগে
চান্দমামা পাবলিকেশ্যনছে পোৱাকৈ পঠাওক ঃ
ছাৰ্কুলেশ্যন মেনেজাৰ চান্দমামা পাবলিকেশ্যনছ চান্দমামা বিল্ডিংছ
বড়াপালানি মাদ্ৰাজ-৬০০-০২৬

everest/94/PP/72-অ-R